সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৪ সংখ্যা, ৯ মাঘ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 4 * Date Of Publication - 23 January 2022 Rs.10.00/-

## ৰাজ্যত নতুনকৈ কৰ'নাত ৫,৫৮০ জন লোক আক্ৰান্ত



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যত নতুনকৈ ৫,৫৮০ জন লোক কৰ'নাত আক্ৰান্ত হৈছে। ৪৫,৯০০ জন লোকৰ ক'ভিড পৰীক্ষা সম্পন্ন কৰা হৈছিল। নতুনকৈ আক্ৰান্ত হোৱা লোক সকলৰ ভিৰতত ১,১৭২জন লোক গুৱাহাটীৰ। ৩৩০ গৰাকী যোৰহাট জিলাৰ, ২৯৪ গৰাকী ডিব্ৰুগড় জিলাৰ আৰু ২৩৯ গৰাকী শিৱসাগৰ জিলাৰ। আনহাতে, নতুনকৈ ক'ভিডত ১৩ জন লোকৰ মৃত্যু হৈছে। ২,৯১৮জন লোক নতুনকৈ কৰ'না সংক্ৰমণৰ পৰা সুস্থ হৈ উঠিছে। ৪৭,৬৭০ জন লোক এতিয়াও চিকিৎসাধীন হৈ আছিল। জিএমচিএইচৰ অধীক্ষক অভিজিৎ শৰ্মাই জানিবলৈ দিয়া মতে, বৰ্তমান

(পাঁচপৃষ্ঠাত চাওক)

## আৰক্ষীৰ গুলীত আহত প্ৰাক্তন ছাত্ৰনেতা




ৰঙিলী বাৰ্ত্তাসেৱা- নগাঁও চহৰৰ কচলুখোৱাত এজন প্ৰাক্তন ছাত্ৰনেতা আৰক্ষীৰ গুলীত আহত হোৱা ঘটনাই চাঞ্চল্য সৃষ্টি কৰিছে। আহত যুৱকজনৰ নাম কীৰ্তিকমল বৰা। চিকিৎসাধীন অৱস্থাতে ছাত্ৰনেতাজনে সংবাদ মাধ্যমক জনাই যে, তেওঁ সন্ধিয়াৰ সময়ত মাকৰ বাবে কিছু ঔষধ আনিবলৈ ফাৰ্মাচীলৈ গৈছিল। ঘৰলৈ উভতি অহাৰ সময়ত, তেওঁ দেখিলে যে কেইজনমান আৰক্ষী কৰ্মীয়ে কচলুখোৱা ৰাস ফিল্ডৰ ওচৰত অসামৰিক পোছাকত

(পাঁচপৃষ্ঠাত চাওক)

## সম্পাদকীয়ঃ

## সীমা বিবাদ



যোৱা পাঁচ দশকজোৰা অসম আৰু মেঘালয়ৰ মাজৰ সীমা সমস্যা এতিয়া সমাধানৰ দিশে গতি কৰিছে। এইটো এটা আমাৰ বাবে শুভ সংবাদ। এইখিনিতে আমাৰ মুখ্যমন্ত্ৰী গৰাকীক শলাগ নলৈ নোৱাৰিলো। মুখ্যমন্ত্ৰী গৰাকীয়ে শাসনভাৰ লোৱাৰ দিন ধৰি ভালেখিনি পদক্ষেপ হাতত লৈ অসমখনক পৰিৱৰ্তনৰ দিশে সফল ভাবে এখোজ আগবঢ়াই নিছে। এশিঙীয়া গঁড়ৰ খৰ্গ দাহন কৰি মানুহৰ মনৰ পৰা অন্ধবিশ্বাস আতঁৰোৱাৰ পৰা ড্ৰাগছৰ বিৰুদ্ধে চলোৱা অভিযানেৰে যুৱপ্ৰজন্মক ড্ৰাগছৰ কৰাল গ্ৰাসৰ পৰা উদ্ধাৰ কৰাৰ বাবে যি পদক্ষেপ লৈছে সেয়া সঁচাই প্ৰশংসনীয়। শেহতীয়াকৈ হাতত লৈছে অসম-মেঘালয়ৰ মাজৰ সীমা বিবাদ নিষ্পতি কৰণৰ পদক্ষেপ হাতত লৈছে। অসমৰে অংগ হিচাপে থকা মেঘালয় ১৯৭১চনৰ জানুৱাৰী মাহৰ ২১ তাৰিখে সুকীয়া ৰাজ্য হিচাপে আত্মপ্ৰকাশ কৰিছিল যদিও কেন্দ্ৰীয় চৰকাৰে নিদ্ধাৰণ কৰি দিয়া সীমাক লৈ মেঘালয় সুখী নহ'ল। আজি পঞ্চাশ টা দশকেও এই সীমা বিবাদ চলিয়েই আছে। পৰবৰ্তী সময়ত মেঘালয়ে অসমৰ ভালেখিনি ভূমি নিজৰ বুলি দাবী কৰিবলৈ ল'লে। সম্প্ৰতি ১২ টা বিবদমান অঞ্চলৰ ৬ টা অঞ্চলৰ সীমা সমস্যাৰ নিষ্পত্তিৰ সুত্ৰ উলিওৱা হৈছে বুলি বিভিন্ন সংবাদ মাধ্যমৰ যোগেদি জানিবলৈ পালোঁ। এই অঞ্চল কেইটা হৈছে তাৰাবাৰী, ৰাতাচেৰা, বকলাপাৰা, পিলিংকাটা, গিজাং আৰু হাঁহিম। বৰ্তমানে এই ৬টা বিবদমান অঞ্চলৰ ভূমি সমানে সমানে ভগাই ল'বলৈ দুই পক্ষ ৰাজী হৈছে। এইটো আমাৰ দুয়োখন ৰাজ্যৰ বাবে বছৰটোৰ আৰম্ভণিতে এটি ভাল খবৰ। এইখিনিতে আৰু এটা কথাৰ ওপৰত গুৰুত্ব দিবলাগিব সেই ভূমিখিনিত থকা মানুহখিনিৰ কথা ভূমি নিষ্পতিৰ লগে লগে সেই মানুহখিনিৰ যাতে কোনো অসুবিধা নহয় সেই কথাটো লগে লগে নিৰিক্ষণ কৰাটো অতিকৈ দৰকাৰী কথা। এইদৰে নাগালেণ্ডৰ লগত থকা বিবাদো যাতে সোনকালে নিষ্পতি হয় তাৰ বাবে আশা ৰাখিলো।

# সৰিয়হ খেতিৰে স্বাৱলম্বী হোৱাৰ সোণালী সপোন ৰচিছে চান এনজিঅ'ই



ৰঙিলী বাৰ্ত্তাসেৱা- দিনক- দিনে নিবনুৱা সমস্যা বৃদ্ধি পোৱাৰ বিপৰীতে আশাৰ বতৰা কঢ়িয়াই লৈ আনি সংস্থাপনৰ বাট দেখুৱাইছে ওদালগুৰি জিলাৰ খৈৰাবাৰীৰ কুহিয়াঁৰকুছিৰ 'চান এনজিঅ'ই । ২০১৬ বৰ্ষত সমাজ সেৱক বাপন বসুমতাৰী আৰু বকুল স্বৰ্গীয়াৰীৰ নেতৃত্বত গঠিত 'চান এনজিঅ'ই কুহিয়াৰকুছি মালদাংপাৰা গাঁৱৰ কেইগৰাকীমান নিবনুৱা যুৱক সকলক একগোট কৰি এইবেলি গাঁৱৰে কৃষক সকলৰ কৃষিভূমিত ৮০ বিঘা সৰিয়হ, প্ৰায় ১৪ বিঘা আলু-মটৰৰ খেতি কৰি স্বাৱলম্বী হোৱাৰ সুন্দৰ নিদৰ্শন দাঙি ধৰিছে । উক্ত কৃষিভূমিত দৈনিক চোৱাচিতা কৰি আপডাল কৰিছে এনজিঅ'ৰ প্ৰধান বাপন বসুমতাৰী লগতে সদস্য সকলে । মালদাংপাৰাৰ কৃষিভূমি বৰ্তমান সোণোৱালী ৰঙৰ দলিচা এখনহে যেন আৱি থৈছে এনে লাগে । চৰকাৰৰ কোনো সহায়-সহযোগিতা অবিহনে বাপন বসুমতাৰী আৰু গকুল স্বৰ্গীয়াৰীৰ ঐকান্তিক প্ৰচেষ্টাৰে গঢ় দিয়া এনজিঅ'টোৱে প্ৰাৰম্ভিকভাৱে গাঁৱৰ নিবনুৱা যুৱক সকলক মাটিতে সোণ বুটলিব পাৰি এই মন্ত্ৰৰে আপ্লুত কৰি স্বাৱলম্বী হোৱাৰ পথ দেখুৱাইছে । গাঁৱৰ পৰা দূৰ-দূৰনিলৈ কৰ্মসংস্থাপন বিচাৰি যাতে গাঁৱৰ ল'ৰা গাঁৱতে সংস্থাপন লাভ কৰিব পাৰে তাৰে সুন্দৰ নিদৰ্শন দাঙি ধৰিছে 'চান এনজিঅ'ই । উল্লেখ্য যে চৰকাৰে কৃষকৰ উন্নয়ণৰ নামত বিয়াগোম আঁচনি লৈছে যদিও কোনো সুবিধা লাভৰ পৰা বঞ্চিত 'চান এনজিঅ'ৰ কৃষক সকল । যদিহে কৃষি বিভাগে উক্ত কুহিয়াৰকুছিৰ বৃহত্তৰ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰি দিলেহেতেন তেন্তে আৰু অধিক লাভান্বিত হ'লহেতেন বুলি আক্ষেপেৰে উষ্মা প্ৰকাশ কৰিছে কৃষক সকলে । অনাগত দিনত জিলাৰ কৃষি বিভাগে এই কুহিয়াঁৰকুছি মালদাংপাৰাৰ কৃষক সকলৰ উন্নয়ণৰ বাবে কি ব্যৱস্থা লয় এয়া হ'ব লক্ষণীয় বিষয়

# বৃদ্ধাবাসত ব্যতিক্ৰম ভোগালী বিহু



ৰঙিলী বাৰ্ত্তসেৱা- ভোগালী বিহু উপলক্ষে লেখিকা, হাতীগাঁওৰ নিবাসী ৰমিছা বেগমে সম্পূৰ্ণ ক'ভিড প্ৰটোকল মানি আজি দুখন বৃদ্ধাবাসত ভোগালী বিহুৰ পিঠা পনা বিতৰণ কৰে। সমাজ সেৱক উৎপল হৰ্ষবৰ্ধনৰ দ্বাৰা পৰিচালিত প্ৰমোদ তালুকদাৰ সোঁৱৰণী বৃদ্ধাবাস আৰু সোণাপুৰ চৰকাৰী বৃদ্ধাবাসত গৈ ককা আইতাসকলৰ আশীৰ্বাদ লয়। বেগমে ককা আইতাসকলৰ কাৰণে নিজ হাতে কুলি পিঠা, জোনবেৰী পিঠা, ভাপনীয়া পিঠা, চেৰী পিঠা, তেলৰ পিঠা, পাটী সপ্তা পিঠা, কেক, পোলাও আৰু কণী বনাই খুৱাই থৈ আহে। বেগমে ঘৰৰ পৰা অনা বিভিন্ন ধৰণৰ পিঠা আইতা সকলে অতি তৃপ্তিৰে খাই বেগমৰ পৰিয়ালক ভূৰী ভূৰী আশীৰ্বাদ দিয়ে। এই পিঠা আৰু পোলাও বনোৱাতে বেগমক সহায় কৰে ইমদাদিয়া নগৰৰ নীলিমা খাতুন আৰু জহুৰা খাতুনে।

# গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনত অসমীয়া ভোটাৰৰ নিৰ্ণায়ক ক্ষমতা নিঃশেষ কৰাৰ ষড়যন্ত্ৰ

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী পৌৰ নিগমৰ এলেকাধীন ৩১টা ৱাৰ্ড নতুনকৈ ৬০টা ৱাৰ্ডলৈ বৃদ্ধি কৰি সম্পূৰ্ণ বেআইনী প্ৰক্ৰিয়াৰে পুনৰনিৰ্ধাৰণ কৰিব বিচৰা কাৰ্য্য অসম জাতীয় পৰিষদে তীব্ৰ বিৰোধিতা কৰিছে। এইক্ষেত্ৰত এক সংবাদ মেল সম্বোধন কৰি দলৰ সম্পাদক প্ৰিন্স ফাইজুল হক, যুটীয়া সম্পাদক গিৰীন তালুকদাৰ আৰু মহানগৰ জিলাৰ সম্পাদক প্ৰণৱ ডেকাই কয় যে সকলো নিয়ম-নীতি ভৰিৰে মোহাৰি একমাত্ৰ বিজেপি দলৰ ৰাজনৈতিক স্বাৰ্থত ৱাৰ্ড সমূহৰ পুনৰনিৰ্ধাৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰা হৈছে। অতি পৰিকল্পিতভাৱে এই ষড়যন্ত্ৰৰ জৰিয়তে ৱাৰ্ড সমূহৰ নিৰ্বাচনত অসমীয়া ভোটাৰৰ নিৰ্ণায়ক ক্ষমতা নিঃশেষ কৰিব বিচৰা হৈছে। অসম জাতীয় পৰিষদে জাতীয় স্বাৰ্থ বিঘ্নিত কৰিব বিচৰা এই ষড়যন্ত্ৰ মানি নলয়। দলে ইয়াৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰি যাব। দলৰ তৰফৰ পৰা ইতিমধ্যে পৌৰ নিগম কৰ্তৃপক্ষক কেইবাখনো স্মাৰক প্ৰদান কৰি সমগ্ৰ প্ৰক্ৰিয়াটোৰ আসোঁৱাহ সমূহ দেখুৱাই দিয়া হৈছে। স্মাৰক পত্ৰ প্ৰদান কালত হোৱা আলোচনাত বিস্তৃত ভাৱে প্ৰতিটো নীতি বহিৰ্ভূত কাৰ্য্য আঙুলিয়াই দিয়া হৈছে। পৌৰ নিগম কৰ্তৃপক্ষই এই ক্ষেত্ৰত বিহীত ব্যৱস্থা গ্ৰহণ নকৰিলে অসম জাতীয় পৰিষদে ইয়াৰ বিৰোধিতা কৰি যাব। শেহতীয়াকৈ ১৯ জানুৱাৰীত নিগমৰ অযুক্তিক প্ৰদান কৰা স্মাৰক পত্ৰ খনত পুনৰ তিনিটা গুৰুত্বপূৰ্ণ বিষয় সংযোজন কৰি এইক্ষেত্ৰত বিহীত ব্যৱস্থা নহলে আইনৰ সাহায্য গ্ৰহণ কৰা হ'ব বুলি স্পষ্ট ৰূপত প্ৰকাশ কৰা হয়। উক্ত স্মাৰক পত্ৰত কোৱা হয় যে অসম জাতীয় পৰিষদৰ তৰফৰ পৰা আপোনাক অৱগত কৰিব বিচাৰোঁ যে যোৱা ১৭-০১-২২ তাৰিখে প্ৰসংগ নং AJP/GMC/২০২২/০২ পত্ৰৰ দ্বাৰা গুৱাহাটী পৌৰ নিগমৰ ৱাৰ্ডসমূহৰ সবিশেষ তথ্য তথা পুনঃনিৰ্ধাৰণ কৰি পূৰ্বৰ ৩১ টা ৱাৰ্ডৰ পৰা ৬০ টা ৱাৰ্ডলৈ বৃদ্ধি কৰাৰ সিদ্ধান্তৰ ক্ষেত্ৰত ইতিমধ্যে আমি আমাৰ মতামত আগবঢ়াইছোঁ। তাৰ লগতে সংগতি ৰাখি এই পত্ৰৰ যোগে সন্মানীয় মহোদয়ক গুৱাহাটী পৌৰ নিগমৰ ৱাৰ্ডৰ পৰিসীমা নিৰ্ধাৰণৰ সন্দৰ্ভত কেইটামান অতি জৰুৰী মন্তব্য আমি পুনৰ দোহাৰিব বিচাৰিছোঁ । তলত মন্তব্যসমূহ উল্লেখ কৰা হ'ল। পৌৰ নিগম অন্তৰ্গত নতুনকৈ প্ৰস্তাৱিত ৬০ টা ৱাৰ্ডৰ পৰিসীমা ৰাজহুৱাভাৱে সকলোকে অৱগত কৰিব লাগে যাতে অন্য ৰাইজৰো এইক্ষেত্ৰত কিবা আপত্তি থাকিলে সেয়া দৰ্শাব পাৰে । সেই পৰিসীমাত পথৰ নাম, অন্যান্য সীমাংকসূচক চিহ্নৰ নাম আদি উল্লেখ কৰিব পাৰে । আপোনালোকৰদ্বাৰা প্ৰকাশিত ৱাৰ্ডৰ মানচিত্ৰতখনত দেখা যায় যে পানীখাইতি পঞ্চায়ত আৰু

( তিনিপৃষ্ঠাত চাওক)

# কলিয়াবৰ লোকসভাৰ সাংসদ গৌৰৱ গগৈয়ে বেছামাৰী গাঁও পঞ্চায়ত পৰিদৰ্শন



ৰঙিলী বাৰ্ত্তাসেৱা- কলিয়াবৰ লোকসভাৰ সাংসদ গৌৰৱ গগৈয়ে হঠাৎতে বেছামাৰী গাওঁ পঞ্চায়তৰ ষ্ট্ৰীট লাইট, বেছামাৰী আঞ্চলিক কবৰস্থান, বেছামাৰী ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়ৰ লগতে ৰাইজৰ অভাৱ-অভিযোগৰ বিষয়ে বুজ ল'লে সাংসদগৰাকীয়ে । আৰু সাংসদ পুঁজিৰ পৰা বেছামাৰী আঞ্চলিক কবৰস্থানৰ বাউণ্ডাৰী ৱালৰ বাবে, লাখ টকাৰ এটা এককালীন সাহায্যৰ অনুদানৰ কথা উল্লেখ কৰে । বেছামাৰীৰ আশ্ৰাফুল উলুম হাফিজিয়া মাদ্ৰাছাৰ শিক্ষক আৰু ছাত্ৰৰ লগত সাক্ষাৎকাৰ কৰি মাদ্ৰাছাৰ অভাৱ অনাটনৰ বুজ লয়। লগতে বেছামাৰী ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়ত এখন এম্বুলেন্স প্ৰদানৰ আশ্বাস দিয়ে সাংসদ গৌৰৱ গগৈয়ে। আনকি বেছামাৰী প্ৰেছ ক্লাবৰ সদস্য সকলেওঁ সাংসদ গৌৰৱ গগৈয়ক সাদৰ সম্ভাষণেৰে সম্ভাষণ জনায় ।

# গুৱাহাটী পৌৰ নিগমৰ

আমচিং পঞ্চায়ত কিছু অংশ অন্তৰ্ভুক্ত কৰা হৈছে, পঞ্চায়তৰ অন্তৰ্ভুক্ত অঞ্চল যদি গুৱাহাটী পৌৰনিগমৰ অধীনত হয় তেন্তে চৰকাৰী নীতি অনুসৰি অধিসূচনা জাৰি কৰিহে ল'ব পাৰি কিন্তু আমি জনাত তেনে কোনো অধিসূচনা জাৰি কৰা দেখা পোৱা নাই । গতিকে এই সন্দৰ্ভত আপুনি চৰকাৰী অধিসূচনা জাৰি কৰি পঞ্চায়তৰ কোনো অংশ যদি অন্তৰ্ভুক্ত কৰিছে সেয়া আমাক উপযুক্ত প্ৰমাণসহ জনাব লাগে ।আপোনালোকৰদ্বাৰা জাৰি কৰা মানচিত্ৰ অনুসৰি পূব গুৱাহাটী বিধানসভা সমষ্টিত বৰ্তমান আপোনালোকে পূৰ্বৰ ২৩ টা ৱাৰ্ডৰ পৰিৱৰ্তে ১৮ টা ৱাৰ্ডলৈ হ্ৰাস কৰা দেখা গৈছে, আমি আপোনাক জনাব বিচাৰোঁ যে সেই সমষ্টিত বিগত সময়তকৈ জনসংখ্যা বাঢ়িছে, যোৱা ১৯৯৫ আৰু ২০০৩ চনৰ পৌৰনিগম নিৰ্বাচনত মুঠ ২৩ টা ৱাৰ্ডত নিৰ্বাচন হৈছিল, ২০২১ বৰ্ষত বিগত বছৰকেইটাতকৈ পূব গুৱাহাটী সমষ্টিত জনসংখ্যাৰ লগতে ভোটাৰ যথেষ্ট বৃদ্ধি হোৱা দেখা যায়, আমি আচৰিত হৈছোঁ যে জনসংখ্যা বৃদ্ধিৰ পাছতো ৱাৰ্ডৰ সংখ্যা ২৩ ৰ পৰা ১৮ লৈ অৱনমিত কৰা হৈছে । গতিকে কি যুক্তিৰ আধাৰত উক্ত সমষ্টিৰ ৱাৰ্ডৰ সংখ্যা ২৩ টাৰ পৰা ১৮ টালৈ অৱনমিত কৰা হ'ল সেই বিষয়ে আমাক তথ্যসহকাৰে জনাব লাগে । ইয়াৰ উপৰি দেখা যায় দিছপুৰ বিধানসভা সমষ্টিত আপোনালোকে ৱাৰ্ডৰ সংখ্যা পূৰ্বৰ ১৬ টাৰ পৰা ২০ টালৈ বৃদ্ধি কৰিছে, তেনেদৰে জালুকবাৰী সমষ্টিতো ১ টা ৱাৰ্ডৰ সংখ্যা বৃদ্ধি কৰা দেখা গৈছে ।এইৱাৰ্ডৰ সংখ্যা বৃদ্ধি কৰা বা হ্ৰাস কৰাটো জনসংখ্যা অনুপাতে হৈছে নে আপোনালোকৰ নিজ ইচ্ছা অনুসৰি হৈছে সেয়া আমাক অৱগত কৰিলে ভাল হয় । ওপৰি উক্ত বিষয়কেইটাৰ বিষয়ে কোনো আলোচনা নোহোৱাকৈ যদি আপোনালোকে খচৰাখন গ্ৰহণ কৰে তেন্তে হয়তো গোটেই ৱাৰ্ডৰ নিৰ্বাচনী প্ৰক্ৰিয়াটোতে ব্যাঘাত জন্মিব আৰু হয়তো আমি বা অন্য ব্যক্তিয়েও আইনৰ সহায় ল'বলৈ বাধ্য হ'ব ।গতিকে আমি অনুৰোধ কৰিব বিচাৰোঁ যে আপোনালোকে সমগ্ৰ প্ৰক্ৰিয়াটো স্বচ্ছতাৰে তথা কোনো ৰাজনৈতিকভাৱে প্ৰভাৱিত নোহোৱাকৈ সমাধানৰ পথ গ্ৰহণ কৰিব।এইক্ষেত্ৰত আপোনালোকে যেতিয়াই বিচাৰে আমি আমাৰ সহযোগিতা আগবঢ়াবলৈ সাজু থাকিম ।

# ভাষণৰ মাজতে অসহায় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ অনুষ্ঠানত অথন্তৰ। ৱৰ্ল্ড ইক'নমিক ফৰামৰ এখন ভাৰ্চুৱেল বৈঠকত অংশ লোৱা অৱস্থাতে সংঘটিত হ'ল এই ঘটনা। ভাষণৰ মাজতে অসহায় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী। অনুষ্ঠানটিত নৰেন্দ্ৰ মোডীয়ে আৰম্ভ কৰিছিল ভাষণ। কেইমিনিটমান ভাষণ দিয়াৰ পাছতে প্ৰধানমন্ত্ৰীৰ ভাষণত লাগিল খোকাজা। কেইচেকেণ্ড মানৰ বাবে বৈ দিব লগীয়া পৰিস্থিতিৰ লগতে অসহায় হৈ পৰিল প্ৰধানমন্ত্ৰীগৰাকী। প্ৰধানমন্ত্ৰীয়ে যি টেলিপ্ৰম'টাৰ চাই উক্ত ভাষণ প্ৰদান কৰি আছিল উক্ত মেচিনটো যান্ত্ৰিক বিজুতিৰ বাবে হঠাতে বন্ধ হৈ পৰিছিল। মেচিনটো বন্ধ হৈ পৰাৰ বাবেই ভাষণত খোকোজা লাগে প্ৰধানমন্ত্ৰীগৰাকীৰ। উল্লেখ্য যে, প্ৰধানমন্ত্ৰীৰ সৈতে সংঘটিত হোৱা এই ঘটনাৰ পাছতে সামাজিক মাধ্যমত ব্যাপক চৰ্চা হৈ পৰিছে মোদীৰ ভাষণ।

# ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ উত্তৰ পূব অঞ্চল সাংস্কৃতিক কেন্দ্ৰৰ পৰা ধ্ৰুৱজ্যোতি কলিতালৈ যুৱ প্ৰতিভা শিল্পী বঁটা


ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ লোক কলা পুতলা নাচ প্ৰায় নিঃচিহ্ন হৈ যোৱাৰ ক্ষণত। অসমৰ বাবে অতি সুখবৰ যে তেনে এটি ক্ষণত ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ উত্তৰ পূব অঞ্চল সাংস্কৃতিক কেন্দ্ৰৰ পৰা ধ্ৰুৱজ্যোতি কলিতালৈ পুতলা নাচৰ বাবে ২০১৯-২০ বৰ্ষৰ যুৱ প্ৰতিভা শিল্পী বঁটাৰ বাবে মনোনীত হৈছে ।ধ্ৰুৱজ্যোতি কলিতাই এন চি ই আৰ টি, চি চি আৰ টি আৰু এছ চি আৰ টি ৰ সমল ব্যক্তি তথা ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ পৰা ৰাষ্ট্ৰীয় টেগৰ ৰিচাৰ্ছ স্কলাৰ প্ৰাপ্ত বিনীতা দেৱীৰ অধীনত প্ৰশিক্ষণ লৈ আছে। লগতে সুৰজিৎ একাডেমীত দুবছৰীয়া কথা ছবি অভিনয় আৰু পুতলা নাচৰ ওপৰত প্ৰশিক্ষণ লৈ আছে। তাৰোপৰি ধ্ৰুৱজ্যোতি কলিতাই বিনীতা দেৱীৰ অধীনত অসম তথা ভাৰতৰ চৰকাৰৰ অধীনৰ বহু কেইখন ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ সাংস্কৃতিক কাৰ্যক্ৰমত পুতলা নাচ আৰু নাটকত অভিনয় পৰিৱেশন কৰিছে আৰু সুৰজিৎ একাডেমীৰ অধীনত বহু কেইখন চুটি ছবিত অভিনয় কৰিছে । ধ্ৰুৱ জ্যোতি কলিতা ধাৰাপুৰ, বড়িপাৰাৰ গোবিন্দ চন্দ্ৰ কলিতা আৰু সাবিত্ৰী কলিতাৰ একমাত্ৰ পুত্ৰ। উত্তৰ-পূবৰ ৰছ গৰাকীৰ ভিতৰত অসমৰ ৩ গৰাকী যুৱ শিল্পীক শিল্পগ্ৰাম মহোৎসৱত এই বঁটা প্ৰদান কৰে।

# দৈনিক ৰাজ্যত ১০ হাজাৰ লোক আক্ৰান্ত হোৱাৰ



ৰঙিলী বাৰ্ত্তসেৱা- সাৱধান হওঁক। ৰাজ্যত ক্ৰমাগতভাৱে বৃদ্ধি পাইছে ক'ভিডৰ সংক্ৰমণ। দৈনিক ৰাজ্যত ১০ হাজাৰ লোক আক্ৰান্ত হোৱাৰ সম্ভাৱনা ব্যক্ত কৰিছে জি এম চি এইচৰ অধীক্ষক ডাঃ অভিজিত শৰ্মাই। ড° শৰ্মাই কয় যে, "জ্বৰ নহ'লেও যদি পেটৰ বিষ, দুৰ্বলতাৰ লণ যদি দেখা পাই তেনেহ'লে চিকিৎসালয়লৈ আহক। এতিয়া ক'ভিড হ'লে জ্বৰ নহ'বও পাৰে। এমাহৰ বাবে শিশু সকল ঘৰত ৰাখকক , বাহিৰত যাব নালাগে। অ'মিক্ৰন অধিক শক্তিশালী আৰু সোনকালে সংক্ৰমিত হয়। গুৱাহাটীৰ ৪০ শতাংশ মানুহে মাস্ক পিন্ধে। একাংশই নাকৰ তলত মাস্ক পিন্ধিছে। সমাগম হোৱা স্থানত বেছিভাগ মানুহে সতৰ্কতা মানি চলা নাই। যাৰ ফলত গুৱাহাটী উত্তৰ-পূৰৰ হাব হোৱাৰ বাবে ক'ভিড কেচ গুৱাহাটীত বৃদ্ধি পাইছে। ২৩৫ জন ক'ভিড আক্ৰান্ত লোকে কালি জি এম চি এইচৰ পৰা হোম আইচলেশ্যন লৈছে।২৫০ জন ৰোগী জি এম চি এইচত আৰু ২৫০জন সৰুসজাইত আছে।১২০০ বেড জি এম চি এইচত খালি আছে। ৯ জন শিশু জি এম চি এইচৰ বেবী ICUত চিকিৎসাধীন হৈ আছে। অন্য ৰোগত আক্ৰান্ত হৈ বা দুৰ্ঘটনা হৈ সংকটজনক অৱস্থাত চিকিৎসাধীন হোৱা লোকৰহে ক'ভিডত মৃত্যু বেছি হৈছে। এইসমূহ লোকৰ কিছু লোকৰ টেষ্ট কৰাত ক'ভিড ধৰা পৰিছে আৰু সেইহেতু ক'ভিডত মৃত্যু হোৱা বুলি ধৰা হৈছে।


# অসমীয়া যুৱক-যুৱতীৰ ওপৰত অনা অসমীয়াৰ দাদাগিৰী



ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ অসমত অনা অসমীয়াৰ দাদাগিৰী। অসমীয়া যুৱক যুৱতীৰ ওপৰত এইবাৰ দাদাগিৰী কলকাতাৰ নিতিন বিহানীৰ। মাঘৰ বিহুত ছুটী লোৱাৰ বাবে ৬ অসমীয়া যুৱক-যুৱতীক কামৰ পৰা বৰ্খাস্ত। বিহুত ছুটী লৈ ভোগালী বিহু উদযাপন কৰিবলৈ গৈ চাকৰিৰ পৰা খেদা খালে ৬ অসমীয়া যুৱক-যুৱতীয়ে। নগাঁৱৰ কৃষ্ণা চিনেমা হলত ঘটিছে এই ঘটনা। চাকৰিৰ পৰা খেদা যুৱক যুৱতী কেইজনক কৰ্মস্থলীলৈ আহোতে নিৰাপত্তাৰক্ষী লগাই অপদস্থ কৰাৰ দৰে ঘটনাও ঘটিছে। কৰ্তব্যৰত ৬ কৰ্মচাৰীৰ নাম হৈছে নিলোৎপল নাথ, অৰূপ বৰা, উৎপল নাথ, ৰীনা মজুমদাৰ, হৰজিনদৰ কৌৰ, পুজন মহন। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, নগাঁৱৰ কৃষ্ণা চিনেমা হলৰ মালিক কলকাতাৰ নিতিন বিহানী। মাঘ বিহুৰ উৰুকাৰ দিনা কৃষণা হলত কৰ্তব্যৰত ৬ কৰ্মচাৰীয়ে বিয়লি বিহুৰ বাবে ছুটী বিচাৰি কলকতালৈ ই-মেইল কৰিছিল। কিন্তু হলটোৰ মালিক নিতিন বিহানীয়ে বিহুত ছুটী লোৱাৰ বাবে এই অসমীয়া যুৱক-যুৱতীসকলক চাকৰিৰ পৰা বৰ্খাস্ত কৰে।

# গণিত বিষয় সাহিত্যৰ ৰসেৰে ৰসাল হৈ পৰে যেতিয়া

**ফখৰুদ্দিন আহমেদ**




দৰং জিলাত থকা নন্দৈ নদীৰ পশ্চিম দিশত প্ৰায় ৩চৰতে অসমৰ সাহিত্য জগতৰ "বিদ্ৰোহী পাঠান কবি " ৰূপে খ্যাত এম্ ইব্ৰাহীম আলীৰ আপোন গাঁওখনি, নাম শিঙিমাৰী। এই শিঙিমাৰী গাঁৱৰ পশ্চিম প্ৰান্তত বৰ নদীৰ দুয়োপাৰ দুমুনিচকী নামেৰেই খ্যাত। বৰ নদীৰ পুব পাৰ দুমুনিচকী, দৰং আৰু পশ্চিম পাৰ দুমুনিচকী, কামৰূপ বুলি পৰিচিত । দৰং জিলাৰ অন্তৰ্গত দুমুনিচকীৰ উত্তৰ চুবাত বিশ্ব বিশ্ৰুত গনিতজ্ঞ ডঃ মতিউৰ ৰহমানৰ পিতৃ পুৰুষৰ বাসভূমি। ইয়াতেই এটি দৰিদ্ৰ পৰিয়ালত ডঃ মতিউৰ ৰহমানৰ জন্ম হৈছিল। বিধাতাৰ বিধি মতে ডঃ মতিউৰ ৰহমান মাকৰ গৰ্ভস্থ হৈ থকা অৱস্থাতেই দেউতাকৰ মৃত্যু হৈছিল। বিধবা মাকৰ লগত দাৰিদ্ৰতাৰ সৈতে যুঁজি দুমুনিচকী (কামৰূপ) ত প্ৰতিষ্ঠিত দুমুনিচকী হাই স্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত গণিত বিষয়ত অসমৰ ভিতৰতে সৰ্বোচ্চ ৯৯ নম্বৰ পাই সুখ্যাতিৰে উত্তীৰ্ণ হ'বলৈ ডঃ মতিউৰ ৰহমান সমৰ্থ হৈছিল।

ডঃ মতিউৰ ৰহমানৰ বাবে গণিত হৈ পৰিছিল জীৱন আৰু আত্মা সদৃশ।এই গণিতেই তেখেতক আমেৰিকালৈ লৈ গৈছিল। এই গণিতেই তেখেতক "বিশ্ব গণিতজ্ঞ সংস্থা"ৰ সৰ্বোচ্চপদবী সভাপতি পদত আসীন কৰাইছিল। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্য অকাডেমী বটাঁ প্ৰাপক, অসমৰ বিশিষ্ট সাহিত্যিক ডঃ লক্ষ্মীনন্দন বৰাৰ এগৰাকী কীৰ্তিমান পুত্ৰই ডঃ মতিউৰ ৰহমানৰ তত্বাৱধানত গৱেষণা কৰি সন্মানীয় পি এইচ্ ডি অৰ্হতা লাভ কৰিছিল। সেই সুত্ৰে ডঃ লক্ষ্মীনন্দন বৰাৰ পৰিয়ালৰ লগতো ডঃ মতিউৰ ৰহমানৰ সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক গঢ় লৈ উঠিছিল। সু সাহিত্যিক ডঃ লক্ষ্মীনন্দন বৰাই ডঃ মতিউৰ ৰহমানৰ সম্পৰ্কত তিনি দিনীয়া অগ্ৰদূত কাকতত "এগৰাকী গণিতজ্ঞৰ কথাৰে" শীৰ্ষক এটি বহুমূলীয়া নিবন্ধ লিখিছিল। সেই নিবন্ধটিত তেখেতে গণিতজ্ঞ ডঃ মতিউৰ ৰহমানৰ দুমুনিচকী হাই স্কুলৰ পৰা আমেৰিকাৰ ডেলহাউচি বিশ্ববিদ্যালয়লৈ জীৱন পৰিক্ৰমাৰ বিষয়ে উল্লেখ কৰাৰ পিছত মন্তব্য কৰিছিল যে যদিহে গণিত শাস্ত্ৰত নবেল বটাঁ দিয়া হ'লহেতেন তেনেহ'লে দুমুনিচকীৰ ডঃ মতিউৰ ৰহমানেও নিশ্চিত ভাবে গণিত শাস্ত্ৰত নবেল বটাঁ লাভ কৰিলেহেতেন।

ওপৰোল্লেখিত কথাখিনি অৱতাৰণা কৰাৰ মূল কৰণ হ'ল হাই স্কুলীয়া জীৱনত কিছুমান শিক্ষাৰ্থীয়ে বিশেষকৈ গণিত, ইংৰাজী আৰু বিজ্ঞান বিষয়ৰ প্ৰতি দুৰ্বলতা প্ৰদৰ্শন কৰে। এই দুৰ্বলতা শিক্ষাৰ্থী বিলাকৰ ভৱিষ্যত জীৱনৰ বাবে মৰাত্মক হৈ উঠে । এনে সমস্যা বিলাকে শিক্ষাৰ্থী সকলক বহু বেছিকৈ দুৰ্বল অনুভব কৰাই বিষয় শিক্ষক গৰাকীৰ শিক্ষাৰ্থী সকলৰ মানসিকতাক অনুধাৱন নকৰাৰ দিশটোৰে।


ময়ো ব্যক্তিগত ভাবে গণিত বিষয়ত বহু দুৰ্বল আছিলো নৱম শ্ৰেণীৰ মাজভাগলৈ। সেয়া বিগত ইং ১৯৮৬ বৰ্ষৰ কথা। উক্ত বৰ্ষটিতেই মই অধ্যয়ন কৰি থকা শিক্ষানুষ্ঠান তদানিন্তন সানোৱা হাই মাদ্ৰাছাত এগৰাকী গণিত বিষয়ৰ শিক্ষকে যোগদান কৰিছিলহি। তেখেতৰ নাম আছিল নুৰুল হক। তেখেতে আমাৰ শ্ৰেণীত গণিত শিকাবলৈ গ'লে

(আঠপৃষ্ঠাত চাওক)

# ৰূপ নিমিত্তহে গুণেৰেহে সংসাৰ তৰে

**স্বাগতা বৰুৱা গোস্বামী**

নগাঁও জিলাৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ নিচেই কাষতে আছে কড়ালি গাওঁ। গাওঁখনৰ পৰিষ্কাৰ-পৰিচন্নতাই গাওঁখনৰ লগতে নগাঁও চহৰলৈ গৌৰৱ কঢ়িয়াই আনিছে। গছ-গছনি, ফল-মূল, পুখুৰীত মাছ, গোহালিত গৰুৰে এখন আটকধুনীয়া গাওঁ। গাওঁখনৰ কেঁকুৰীটোৰ কাষতে গাওঁখনৰ কেউকিছু নথকা ল'ৰাৰ পৰা বুঢ়ালৈকে সকলোৰে মৰমৰ টলৌ খুড়াৰ ঘৰ। টলৌ খুড়ায়ে নিজৰ ঘৰৰ পদুলি সদায় ফু-মাৰি ভাত খাব পৰাৰ নিচিনাকৈ থয়। টলৌ খুড়াৰ ঘৰৰ পিছফালে এখন সৰু বিল আছে। সেই বিলখনতে এজাক বিভিন্ন প্ৰজাতিৰ চৰাইয়ে আবেলি মেল মাৰেহি।



এদিনাখনৰ কথা সদায় আনন্দমনেৰে গীত গাই গাই হাঁহি-ফুৰ্তিৰে মেল মাৰি থকা চৰাইবিলাকৰ মাজত বহুত চিঞঁৰ-বাখৰ লাগিছে। চৰাইবিলাকৰ মিলা-প্ৰীতিক উদাহৰণ হিচাপে গাওঁৰ মইনাহতঁক দেখোৱা টলৌ খুড়া তাঁহাতৰ চিঞৰ বাখৰ শুনি আচৰিত হ'ল। কোনো দিনে কেতিয়াও ডাঙৰকৈ কথা নোকোৱা ঘৰচিৰিকা জনীৰো আজি চি-চিৰনিৰে কাণ তাল মাৰি গৈছে। টলৌ খুড়াও এইবোৰ শুনি আগফালৰ পৰা পিছফালে বিলৰ কাষ পালেগৈ। তাঁহাতৰ চিঞৰ বাখৰ শুনি মাছ কেইটাৰেও জুমি জুমি চাইছে। পুঠিজনীৰ বোলে শব্দত জীৱ ওলাই যাওঁ ওলাই যাওঁ হৈছে। টলৌ খুড়া ওলাই গৈ চৰাইবিলাকক শুধিলে, সদায় একতাৰ দোলেৰে বান্ধ খাই থকা তোমালোকবিলাকৰ মাজত আজি কি হৈছে। তেনেতে টিপ্ টিপ্ কৈ টিপচিয়ে বোলে টলৌ খুড়া আপুনিয়ে কওঁকচোন আমাৰ মাজত ধুনীয়া কোন? এই প্ৰশ্নটো লৈয়ে আমাৰ মাজত কাজিয়াৰ সৃষ্টি হৈছে। অ হয়নে কি? মোৰ দৃষ্টিতো তোমালোক সকলোৰে ধুনীয়া। টিপচিয়ে বোলে তেনেকৈ ক'লে নহ'ব তেনেকৈ চাবলৈ গ'লে দেখোন কাউৰীকো আমি ধুনীয়া বুলিয়ে ক'ব লাগিব। কথাটো শুনি বাকী কিছুমানেও গিৰ্জনী মাৰি হাঁহিলে। তেতিয়া খুড়াই ক'লে এইটো এনেকৈ কোৱা কথা নহয়। এটা কাম কৰো কালিলৈ আমি সকলো কড়ালি গাঁৱৰ পুথিভঁৰালটোৰ প্ৰাঙ্গনত একগোট হওঁ। গাওঁবুঢ়া আৰু গাঁৱৰ ৰাইজৰ উপস্থিতি এখনি সৌন্দৰ্য প্ৰতিযোগিতা আয়োজন কৰা যাওক হ'বনে? হ'ব হ'ব বুলি সকলোৱে সমৰ্থন জনালে। সকলো প্ৰতিযোগীকে পুৱা ন বজাৰ লগে লগে প্ৰতিযোগিতা স্থলিত উপস্থিত

(আঠপৃষ্ঠাত চাওক)

# " হৃদয়ৰ বন্তি "

**বিশ্বজিৎ বৰা**
**গুৱাহাটী, অসম**



আজি মই মোৰ চৌপাশে কেৱল!
সেউজীয়া দেখিছো,
হৃদয়ত যেন আকৌ নতুনকৈ
সেউজীয়াবোৰে বৰকৈ আমনি কৰিছে।
ইমান দিনে সযতনে সাঁচি ৰখা মৰমবোৰ
আজি কৰোবাক মন গৈছে যাচিবলৈ।
মনত আজি এক অপাৰ আনন্দ, !
এক আকলুৱা মৰমে মোক আহি কৈছে
তই আৰু নহয় অকলশৰীয়া।
তোৰ বাবে বাট চাই ৰৈ আছে,
এক মিঠা ভালপোৱাৰ বাস্তৱ।!
নিজৰ বুকুৰ সাঁচতীয়া সেউজীয়া মৰমবোৰ বিলাবলৈ
পাইছো এক সংগী।!
মোৰ মনৰ বন্তি গচি জ্বলাবলৈ
এডাল শলিতা হৈ আহিছা তুমি।!
এই শলিতা চিৰযুগমীয়া কৰি লোৱাৰ হেপাহ!
জাগিছে মনত
হৃদয়ৰ বন্তিৰ পোহৰেৰে উজলাম !
আমাৰ দুয়োৰে জীৱন......।।

# আৰক্ষীৰ গুলীত আহত

যুৱককেইজনমানক সোধা-পোছা আৰু প্ৰহাৰ কৰি আছে। “যেতিয়া মই তেওঁলোকক ব্যক্তিকেইজনক প্ৰহাৰ কৰাৰ কাৰণ সুধিছিলো, তেতিয়া আৰক্ষী কৰ্মীসকলে এই কথাতে মোৰ লগত তৰ্কাতৰ্কি কৰিছিল। পিছত, তেওঁলোকৰ মাজৰে বণিয়া উপাধিৰ এজন আৰক্ষীৰ জোৱানে খঙত অগ্নিশৰ্মা হৈ মোক ভৰিত গুলী মাৰিছিল। আৰক্ষীৰ গুলীত আহত কীৰ্তিকমল সম্প্ৰতি নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। ইপিনে আৰক্ষীৰ লোককেইজনে কীৰ্তিকমল সুৰামত্ত আছিল বুলি অভিযোগ কৰিছে। ইয়াৰ বিপৰীতে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত উপস্থিত হোৱা আৰক্ষী অধীক্ষকৰ সন্মুখতে কীৰ্তিকমলৰ পিতৃ-মাতৃয়ে তেওঁলোকৰ পুত্ৰই সুৰাতো দূৰৈৰ কথা কোনোধৰণৰ নিচাযুক্ত দ্ৰব্য সেৱন নকৰে বুলি সজোৰে মন্তব্য কৰিছে। উল্লেখ্য যে আহত কীৰ্তিকমল বৰা নগাঁও মহাবিদ্যালয়ৰ আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক আছিল বুলি জানিব পৰা গৈছে। নগাঁৱৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰ ই এই ঘটনাৰ নিজে তদন্ত কৰিব বুলি প্ৰকাশ কৰিছে।

# ৰাজ্যত নতুনকৈ কৰ’নাত

চিকিৎসালয়খনত ৬৪৯জন লোক ক’ভিডত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছে। ইয়াৰে ২২গৰাকী লোক আইচিইউত চিকিৎসাধীন হৈ আছে। সেয়াই নহয়, চিকিৎসালয়খনৰ ৪০ গৰাকীতকৈ অধিক নাৰ্ছ ক’ভিডত আক্ৰান্ত হৈছে। আনহাতে, সৰুসজাইত চিকিৎসাধীন হৈ আছে ৭৪জন ক’ৰোনা আক্ৰান্ত লোক। ক’ভিড সংক্ৰমণ বৃদ্ধিৰ বাবে জিএমচিএইচত ৰ, ৪০০খন বিছনা সাজু কৰি ৰখা হৈছে। ক’ৰোনৰ এনে সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখিয়েই কামৰূপ, দৰং আৰু বঙাইগাঁও জিলা প্ৰশাসনে সকলো পিকনিক নিষিদ্ধ কৰিছে। গণৰাজ্য দিৱসক লৈও জিলা প্ৰশাসনে নতুনকৈ এছঅ’পি জাৰি কৰিছে। ৰাজ্যিক দুৰ্যোগ প্ৰশমন বিভাগে জাৰি কৰা এই নতুন নিৰ্দেশনা অনুসৰি গুৱাহাটী মহানগৰৰ কেন্দ্ৰীয় গণৰাজ্য দিৱসত সৰ্বাধিক এহাজাৰ লোক আৰু আন জিলাসমূহত সৰ্বাধিক ৫০০ লোকৰহে সমাগম হ’ব পাৰিব বুলি স্পষ্ট কৰি দিয়া হৈছে। নতুন নিৰ্দেশনা অনুসৰি গণৰাজ্য দিৱসত ৰাষ্ট্ৰীয় পতাকা উত্তোলন, অতিথিৰ ভাষণ আৰু পেৰেডতে সীমাবদ্ধ থাকিব। কোনোধৰণৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰিব নোৱাৰিব। একেদৰে এই অনুষ্ঠানত কোনোধৰণৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰী উপস্থিত থাকিব দিৱসৰ আগৰ আৰু পাছৰ কোনোধৰণৰ অনুষ্ঠান অনুষ্ঠিত নকৰিবলৈ নিৰ্দেশনাত স্পষ্ট কৰা হৈছে। নোৱাৰিব। আনহাতে, পেৰেডত দুয়োপালি ভেকচিন লোৱা আৰক্ষী, নিৰাপত্তাৰক্ষীয়েহে ভাগ ল’ব পাৰিব।



# ইটা ভাতী

জুৰি শইকীয়া

কচুবিল গাঁৱলৈ এটা ভাল খবৰ আহিছে। গাঁওবাসীৰ মাজলৈ যেন উচ্ছ্বাসৰ ঢল নামিল। আগতে কেতিয়াও নোহোৱা নোপোজা কথা এইটো। ভাল কিবা এটা হ'ব গাঁওখনত। চনাই বনাই ঘূৰি ফুৰা ল'ৰাজাকৰ গতি এটা লাগিব। তাতকৈ সুখৰ খবৰ একো হ'বই নোৱাৰে গাঁৱৰ মানুহৰ বাবে।

গাঁৱৰ ৰাস্তা পদূলি বনোৱা, সকলো চৰকাৰী ঘৰৰ ঠিকা লোৱা বিৰাজ হাজৰিকা গাঁওখনৰ সকলোৰে চিনাকি নাম। খেতিৰ জহাচাউল, বাৰীৰ প্ৰথম লাও কোমোৰাটো বিৰাজ হাজৰিকালৈ বুলি ৰাখিয়েই থয় গাঁৱৰ মানুহে। তেওঁ অৱশ্যে কাকো বিমুখ নকৰে যেয়ে যেনেকৈ বিচাৰে তেনেকৈয়ে চৰকাৰী ঘৰবোৰ বাজেটৰ ভিতৰত আটোমটোকাৰীকৈয়ে সাজি উলিয়াই দিয়ে। দৰকাৰ হ'লে পঞ্চায়তৰ সভাপতি কাউন্সিলাৰক কৈ হ'লেও চৰকাৰী ঘৰ পাবলগীয়াবোৰক ঘৰ এটা দিবলৈ বিৰাজ হাজৰিকাই খাটনিও ধৰে। একেজন ঠিকাদাৰেই যোৱা দহবছৰে কচুবিল গাঁওখনৰ ঠিকা কামবোৰ কৰি আহিছে। লগতে গাঁৱৰ মাইকী মতা ল'ৰা সকলোৰে বিৰাজ হাজৰিকাৰ লগত কাম কৰিবলৈ সুবিধাও পাইছে।

: ঐ কদম মই হ'লে ঠিকাদাৰৰ মতি-গতি ভাল দেখা নাই দেই।

: ৰতন তইনো কি বেয়া দেখিলি ল'ৰাটোক? তোৰ মনৰ পৰা মানুহৰ প্ৰতি থকা সন্দেহৰ ভাৱটো নগ'ল আৰু ন? তোৰ তেজতে এই কীটটো আছে যেন লাগে ঔ।

: কদম, তই আওপকীয়াকৈ হ'লেও মোৰ বংশত ধৰিছ। কথা ভাল নহ'ব কিন্তু কৈ দিছোঁ।

কদমৰ খঙ মূৰৰ ওপৰত উঠা যেন দেখি ৰতনে নিজকে অলপ সংযত কৰিলে। ৰতনে কোৱা কথাখিনি সঁচাও হ'ব পাৰে। যদি সঁচা হয় কথাটো বৰ ভাল নহ'ব। কথাটোৱে গাওঁখনত কালিমা সানিব। ৰজনীকান্ত শৰ্মাৰ নাম গোটেই গাঁৱতে ৰৈ বৈ যোৱা। গাঁওখনৰ প্ৰথম এল পি স্কুলখনৰ প্ৰতিষ্ঠাপক তেখেত। অকল সেয়াই নহয় অৱসৰ লোৱাৰ পিছত গাঁৱৰ পূজা পাতলৰ কামবোৰ তেখেতেই কৰি আহিছে। তেখেতক গাঁৱৰ সকলোৱে মানে, যথাযোগ্য সন্মান দিয়ে। সেইজন শৰ্মা মাষ্টৰৰ জীয়েকৰ যদি পিছপৰা শ্ৰেণীৰ বিৰাজৰ লগত লেটিপেটি আছে তেন্তে কথা বিষমেই হ'ব। মাষ্টৰৰ নাক কাণ কটা যাব। আলেঙে আলেঙে খবৰটো ৰাখিব লাগিব।

কিন্তু কদমে খাটাংকৈ খবৰটো ল'বলৈ নৌপাওঁতেই ৰূপালী এদিন কলেজৰ পৰাই নোহোৱা হ'ল। সদায় অহাৰ সময়তকৈ পলম হোৱাত ৰজনীকান্ত শৰ্মাৰ ঘৰত হুৱাদুৱা লাগিল। মাষ্টৰৰ ঘৰৰ মানুহে গম পোৱাৰ আগতে গোটেই গাঁৱতে ৰূপালী বিৰাজলৈ পলাই যোৱাৰ খবৰে ৰজনজনাই গ'ল। খবৰ বিলোৱাত ৰতনেই বহুতখিনি আগভাগ ল'লে। শৰ্মা মাষ্টৰ গাঁৱৰ পৰা এঘৰীয়া হ'ল। গাঁৱৰ দুই এজনে কেতিয়াবা তেওঁলোকৰ খবৰ বাতৰি ল'বলৈ ঘৰলৈ গ'লেও লুকাই চুৰকৈহে গৈছিল। দূৰ দূৰণিৰ পৰা পুৰোহিত মাতি গাঁৱৰ মানুহে কাম-সকাম বিয়া-পূজা পতা হ'ল। একমাত্ৰ কন্যাই দিয়া পাৰাপাৰহীন দুখে শৰ্মা শৰ্মানীক বেছি দিন জীয়াই থাকিবলৈ নিদিলে। বুকু ডাঠ দুই এজনে তেওঁলোকৰ মৰা কাম-কাজখিনি যথাসাধ্যে পাতি মৃতকৰ আত্মাৰ সদগতিৰ কামনা কৰিলে। শৰ্মা মাষ্টৰৰ ঘৰখন উকা হৈ পৰিল। শৰ্মা শৰ্মানী জীয়াই থাকোঁতে এদিনো ঘৰ সোমাবলৈ নিদিয়া বিৰাজ আৰু ৰূপালী লাহে লাহে ঘৰখনলৈ আহিবলৈ ধৰিলে। প্ৰথমে গাঁৱৰ মানুহে দুই এটা কটু বাক্য সিহঁতে শুনাকৈয়ে কৈছিল যদিও লাহে লাহে পিছলৈ ক'বলৈ বাদ দিলে। শৰ্মাৰ ঘৰখন যে থানথিত লগাইছেহি সেয়াই বহুত বুলি ভাবিলে গাঁৱৰ মানুহে। তাতে বিৰাজ হাজৰিকাই কৰা উপকাৰবোৰো গাঁৱৰ মানুহে পাহৰিব নোৱাৰে। বিৰাজ হাজৰিকা নোহোৱা হোৱাত নতুনকৈ অহা ঠিকাদাৰ জনে বহুত ঘৰ আধা সজাকৈয়ে ৰাখিলে নানানটা অজুহাত দেখুৱাই। কচুবিল গাঁৱকে ধৰি সাতটা চুবুৰীৰ মানুহে চাপৰিলৈ অহা-যোৱা মথাউৰিটোও প্ৰথম বছৰৰ বানপানীতে খণ্ড খণ্ডকৈ উটি গ'ল। গাঁৱৰ মানুহে নতুন ঠিকাদাৰক হাই হাই দি খেদিলে। মিডিয়াৰ মানুহ গোট খালে, পেপাৰত খবৰ ছপালে। তদন্ত হ'ব বুলি গাওঁবাসীক আশ্বাস দিলে যদিও কি হ'লগৈ কথাটো কোনেও গম নাপালে।

বিৰাজ হাজৰিকা পুনৰ গাওঁখনলৈ আহিবলৈ লোৱাত গাঁৱৰ বহুত মানুহে পেটে পেটে ভালেই পালে। মুখীয়ালকেইজনৰ চকুত নপৰাকৈ মনে মনে মাত এষাৰ লগাবলৈ চুচুক-চামাককৈ বিৰাজ হাজৰিকাৰ কাষ চাপিছিল গাঁৱৰ দুই এজন। সময় গ'ল লাহে লাহে মুখীয়ালসকলেও গাঁৱৰ মানুহৰ স্বাৰ্থত আগৰ কথাবোৰ পাহৰি বিৰাজ হাজৰিকায়েই তেওঁলোকৰ গাঁৱৰ-ৰাস্তা পদূলি আদিৰ কামবোৰ কৰি যোৱাটো বিচাৰিলে। বিৰাজ হাজৰিকা পুনৰ গাওঁবাসীৰ আপোন হৈ গ'ল। তেওঁলোকৰ বাবে ঠিকাদাৰৰ সলনি বিৰাজ হাজৰিকাৰ নাম "জোঁৱাই" হৈ পৰিল। ৰূপালীয়ে দেউতাকৰ স্কুলখনো চোৱা চিতা কৰিবলৈ ল'লে। স্কুললৈ যাবলৈ মন নকৰা গাঁৱৰ ল'ৰা-ছোৱালীবোৰক ঘৰৰ পৰা মাতি মাতি উলিয়াই নিলে ৰূপালীয়ে। দুই একৰ মনত তেতিয়াও সংকীৰ্ণতা থাকিলেও



বেমেজালি হোৱা গাওঁখন বিৰাজ হাজৰিকা আৰু ৰূপালীৰ সহযোগত পুনৰ চিজিল হ'বলৈ ধৰিলে।

: ঐ কদম গাঁৱৰ খবৰ এটা পাইছনে নাই?

: ৰতন, নামঘৰত থাকোঁতে তোৰ এই তলখুচৰীয়া কথাবোৰ বাদ দে। ভগৱানে দোষ ধৰিব। ভগৱানলৈকে অলপ ভয় কৰিবিচোন তোৰ মংগল হ'ব।

ৰতন চাৎকৈ কদমৰ ওচৰৰ পৰা উঠি আঁতৰি গৈছিল তাৰ কথা শুনা মানুহখিনিৰ ওচৰলৈ। কদমে লক্ষ্য কৰিছিল ৰতনৰ গ্ৰুপটোত গুৰুতৰ কিবা এটা আলোচনা হৈ আছে। নাম-পাঠলৈ বিশেষ মন নিদিয়াকৈ তেওঁলোক কথাত মচগুল হৈ পৰিছিল। পাঠকীজনে মাজতে এবাৰ তেওঁলোকক মনে মনে থাকিবলৈ সকিয়াইও দিছিল। নাই, তেওঁলোকৰ পাঠকীৰ কথালৈ কাণসাৰ নাই। নাম ভাগিল, প্ৰসাদ খাই সকলো ঘৰাঘৰি গ'ল যদিও ৰতনে ইঘৰ সিঘৰকৈ সোমাই কথাবোৰ আলোচনা কৰি কৰি ঘৰ সোমাওতে সন্ধিয়া লাগি ভাগিল। মদনে পথাৰৰ পৰা গৰু লৈ ঘূৰি আহোঁতে পুনৰ ৰতনৰ লগত ভেটাভেটি হ'ল।

: ৰতন, তেতিয়া কিবা এটা ক'ব খুজিছিলি যে। কি হৈছে কচোন এতিয়া।

: নালাগে দে তই মোৰ কথা শুনিবলৈ। তই বৰভকত মানুহ ভকত হৈয়েই থাক।

: ৰতন, ভকতক ধৰিলি যে? সীমা চেৰাই নাজাবি দেই তই।

: মুঠতে জানি থ গাঁৱলৈ ভাল দিন আহিছে।

: গাঁৱলৈ ভাল দিন আহিছে! তেন্তে খবৰ ভালেই দেখোন কচোন ক কি হৈছে।

: পিছে পৰে নিজেই জানিবি যা। তোক মই নকওঁ।

কদমৰ গোটেই ৰাতি টোপনি নাহিল। কেৰাচিন তেলৰ চাকিটোৰ তলত পানী দি ওপৰত বটলত থকা শেষ তেলকণ চুছি মাজি দি দিলে। শলিতাডাল বাৰে বাৰে বঢ়াই থাকিল যদিও এসময়ত শলিতাডাল শেষ হৈ গোটেই ঘৰটোত পোৰা পোৰা গোন্ধ ওলোৱাত নৰমীয়ে সিফালৰ পৰা মাত লগালে "আপুনি গোটেই ৰাতিটো ইকাটি সিকাটি কৰিয়েই কটালে হ'ব পায়। আপোনাৰ খচমচনিয়ে মোৰো টোপনি খতি কৰিলে। কি হৈছেনো আপোনাৰ? গা-চা বেয়া নেকি?"

: তয়ো সাৰে আছ হ'বলা। এইফালে আহচোন কথা এটা শোধোঁ।

মাজ ৰাতিখন মানুহটোৰ আজি কি হৈছে বুলি খপজপকৈ উঠি আহিল নৰমী। ঘোপ মৰা আন্ধাৰত খেপিয়াই খেপিয়াই কাষৰ কোঠালিটোলৈ আহি কদমৰ বুকুতে হামখুৰি খাই পৰিল নৰমী। তাতে ৰাতিবোৰ বৰ চঞ্চল। কদমে বহুত দিনৰ পাছত নৰমীক এনেদৰে কাষতে পাই মনটো খন্তেকৰ বাবে ৰোমাঞ্চিত উঠিছিল যদিও নিজকে সম্বৰি ল'লে।

: দুখ পালে নেকি? বৰ আন্ধাৰ নহয় মনিবকে নোৱাৰিলোঁ।

ন কইনাৰ দৰে লাজ এটাই হেঁচা মাৰি ধৰিলে নৰমীক। পলি পাহিয়ে সাৰ পালে নেকি বুলি চিন্তাও লাগিছিল তাইৰ। লৰালৰিকৈ কদমৰ ওচৰৰ পৰা কেতিয়া যাব পাৰি সেইটোহে ভাবিলে নৰমীয়ে।

: কি ক'বলৈ মাতিছিল কওক সোনকালে।

: অ' ৰহ পাহৰিয়েই গৈছিলোঁ তোক কাষতে পাই।

: কিনো লাজ লগা কথাবোৰ কয় অ'। সৰু সৰুকৈ কওক ছোৱালী দুজনীয়ে সাৰ পাব।

: গাঁৱৰ কিবা খবৰ জান নেকি নৰমী। আজি ৰতনে ক'লে গাঁৱৰ বোলে কিবা এটা ভাল খবৰ আছে। গাঁৱলৈ বোলে ভাল দিন আহিব। তই কিবা খবৰ পাৱনে?

: গোটেই গাঁৱে জানে আপুনিহে খবৰ নাপায় নে। আপুনি গম পাই বুলিহে ভাবিছিলোঁ।

: তয়ো জান তাৰমানে? মোৰ বাদে গাঁৱৰ সকলোৱে জানে। মইহে একো গম নাপাওঁ। কি হৈছেক সোনকালে।

: গাঁৱত এটা ইটা ভাতী হ'ব।

: ইটা ভাতী?

: অ' বিৰাজ হাজৰিকাই শৰ্মা মাষ্টৰৰ খেতি মাটিখিনিত ইটা ভাতী খুলিব। এই সপ্তাহতে কাম আৰম্ভ কৰিব বুলিয়েই শুনিছোঁ।

: কথাটো বৰ ভাল নহ'ব নৰমী।

: গাঁৱৰ সকলোৱে ভাল পাইছে। আপুনি কিয় বেয়া হ'ব বুলি ভাবিছে বুজিব পৰা নাই। বাৰু পুৱা চিন্তা কৰিম এইবোৰ কথা। তয়ো অকণমান শুই লগে যা ৰাতি পুৱাবলৈ হ'ব।

নৰমী অকণমান শুলে যদিও কদমৰ তিলমাত্ৰও টোপনি নাহিল। ইটা ভাতীটো গাঁৱতে হ'ব এইটো গাঁওবাসীৰ বাবে ভাল কথা নহয়। এটা এটাকৈ ইটা ভাতীবোৰ গঢ় লৈ উঠাৰ পিছত মানশিৰি গাঁৱৰ মানুহৰ কি দুৰৱস্থা হৈছে সেয়া সি নিজ চকুৰে দেখি আহিছে। পোহৰ হওকচোন কিবা এটা কৰিব লাগিব বুলি কদমে চকুহাল জপাই দিলে জোৰকৈ।

ৰাতিপুৱা গৰু গাইবোৰ এৰাল দি আজৰি হৈ গাঁৱৰ মুখীয়ালৰ লগত কথাটো আলোচনা কৰোঁ বুলি ওলাই যাবলৈ ধৰোঁতেই মুখীয়াল সহিতে গাঁৱৰ কেইবাজনো মানুহ কদমৰ ঘৰলৈ সোমাই আহিল। কদমে কিবা ক'বলৈ পোৱাৰ আগতেই তেওঁলোকে ক'লে "কদম ইয়াতে চহী এটা কৰ।"

: চহী! মোৰ চহী আকৌ কিয় লাগে?

: গাঁৱত যে এটা ইটা ভাতী হ'ব গম নাপাৰ নেকি তই? প্ৰায় সকলোৱে চহী কৰিলেই। তয়ো চহীটো কৰি দে ইয়াতে।

গাঁৱৰ সকলোৱে চহী কৰিলে বুলি শুনি কদম কথাখিনি ক'বলৈ লৈ অকণমান দোধোৰমোধোৰত পৰিল। তথাপিও গাঁওখনৰ ভালৰ বাবে ক'বই লাগিব বুলি ভাবিলে। "গাঁওবুঢ়া ককাই আমাৰ গাঁৱত যে ইটা ভাতা এটা হ'ব এইটো গাঁৱৰ বাবে ভাল খবৰ নহয়। মই মানশিৰি গাঁৱৰ মানুহৰ জীৱন আৰু জীৱিকাৰ বিভীষিকা নিজ চকুৰে দেখি আহিছোঁ। গোটেই গাঁৱতে খেতি বাতি নোহোৱা হ'ল, আম-কঁঠাল, তামোল-নাৰিকলবোৰ গছত নলগা হ'ল। মানুহবোৰৰ চলিবলৈ বহুত কষ্ট হৈছে। শস্যে মৎস্যে নদন-বদন গাঁওখনৰ চাৰিওফালে হা-হুতাহ হুমুনিয়াহ এতিয়া। আমাৰ গাঁৱত ইটা ভাতী হ'বলৈ নিদিয়াই ভাল হ'ব। আপোনালোকে কথাটো এবাৰ চিন্তা কৰক।"

কদমৰ কথাত কোনেও গুৰুত্ব নিদিলে। ৰতনৰ লগতে দুজনমানে দুআষাৰ মান ভালকৈ শুনাই থৈহে গ'ল কদমক। কদমে অকলে সকলোৰে বিপৰীতে গৈ কাগজখনত চহী নকৰা কথাটোত নৰমীও ক্ষুণ্ণ হ'ল। কিন্তু কদম নাছোৰবান্দা। গাঁৱৰ বেয়া হোৱা কামটো সি কৰিব নোৱাৰে। অৱশ্যে তাৰ নিচিনা এটাই চহী নকৰিলে গাঁৱত ইটা ভাতী নহ'ব নে? গাঁৱত ইটা ভাতী হ'ল। ল'ৰাবোৰে স্কুললৈ যাবলৈ বাদ দি হ'লেও দুপইচা অৰ্জনৰ আশাত ইটা ভাতীত কাম কৰিবলৈ লাগিল। চকু চৰহা বুলি কদমলৈ চাই ৰতনে কুটিল হাঁহি মাৰিলে নামঘৰৰ সকলোৰে আগত। বিৰাজ হাজৰিকাক লৈ সকলো ব্যস্ত হৈ পৰে নামঘৰত। কদম গাঁৱৰ সকলো কাম কাজৰ পৰা একাষৰীয়া হৈ গ'ল। লাহে লাহে সি নামঘৰলৈ যাবলৈ

(ন পৃষ্ঠাত চাওক)



জনতাৰ চৰকাৰ
my GOV मेरी सरकार
ই-টিকেটিং ব্যৱস্থা
উমানন্দ ফেৰী সেৱাৰ বাবে
সহজ আৰু সুবিধাজনক টিকট বুকিং
ছপাবিহীন টিকটেৰে পৰিবেশ অনুকূল বুকিং ব্যৱস্থা
ঘাটৰ কাউণ্টাৰত যাত্ৰীৰ সমাগম হ্ৰাস
ৰাজহ লোকচান নিয়ন্ত্ৰণ
ই-টিকট কেনেদৰে লাভ কৰিব?
asiwt.in ত ম'বাইল নম্বৰৰ জৰিয়তে পঞ্জীয়ন কৰক
ব্যক্তিগত বিৱৰণ প্ৰদান কৰক
যাত্ৰাৰ তাৰিখ, উৎস আৰু গন্তব্যস্থান বাছনি কৰক
ফেৰী বাছনি কৰি যাত্ৰীৰ বিৱৰণ যোগ দিয়ক আৰু মূল্য পৰিশোধ কৰক
ই-টিকট ডাউনলোড কৰক
JANASANYOG- 3241/21
হেল্পলাইন নম্বৰ
1800-889-4717
পঞ্জীয়ন কৰক
assam.mygov.in
/mygovassam
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us /@diprassam
https://dipr.assam.gov.in/

# গণিত বিষয় সাহিত্যৰ

প্ৰায়েই এটি কাম কৰিছিল। সেইটো আছিল অনুশীলনৰ যিটো অংক পঢ়ুৱাব লাগে সেই অংকটো পঢ়িছিল আৰু কৈছিল যে সেই অংকটো অমুক শাৰীত শেষ হ'ব মানে উত্তৰ ওলাব। উল্লেখ কৰা শাৰীত উত্তৰ নোলালে তেখেতে অংকটো পুণৰ প্ৰথমৰ পৰা কৰিছিল। আমাৰ শিক্ষাৰ্থী সকলৰ কাৰণে সেই প্ৰক্ৰিয়াটো উৎকণ্ঠাৰে ভৰা আছিল। কাৰণ তেখেতে কোৱা শাৰীটোত উত্তৰ ওলাব নে নোলায়। পিছে তেখেতে যে ঘৰত সেই অংকবোৰ কৰি আহিছে আমাক নিৰ্দিষ্ট শাৰীটোৰ কথা কৈছিল সেয়া আমি মেট্ৰিক পাছ কৰাৰ বহু বছৰ পিছতহে উপলব্ধি কৰিছিলো। তেখেতৰ এই প্ৰক্ৰিয়া আৰু কথন ভংগীয়ে গণিতৰ শ্ৰেণীটোক অনন্য মাত্ৰা প্ৰদান কৰি বিষয়টো সাহিত্যৰ ৰসাল পৰ্যায়লৈ লৈ গৈছিল। তেখেতে অনুশীলন কৰি অনাৰ ওপৰত গুৰুত্ব প্ৰদান নকৰি অনুশীলন শিক্ষাৰ্থী সকলৰ পৰা আদায় কৰি আনিবলৈ লোৱা পন্থাটো বৰ আমোদজনক আছিল। গণিতৰ শ্ৰেণীত তেখেতে প্ৰায়েই কৈছিল যে ঘৰত এদিন গণিতৰ অনুশীলন নকৰিলে শিক্ষাৰ্থী গৰাকীয়ে এক মাহত শিকা গণিতৰ সকলো অংক পাহৰি যাব আৰু এক সপ্তাহ নকৰিলে গণিতৰ শিকা সকলো দিশ পাহৰি যাব। অৱশ্যে এই বাক্যটিৰ কাৰণেই আমি নিয়মীয়া ভাৱে অনুশীলনীৰ অংকবোৰ কৰি নি তেখেতক দেখুৱাইছিলো। ফলাফল স্বৰূপে মেট্ৰিক পৰীক্ষাত গণিত বিষয়ত ৮০ নম্বৰ নাপালেও ৬০ নম্বৰৰ ওপৰত পাবলৈ সক্ষম হৈছিলো। বিগত ইং ১৯৮৬ বৰ্ষৰ পৰা সাম্প্ৰতিক সময়লৈ শ্ৰদ্ধাৰ নুৰুল হকে বিদ্যালয়খনিত শিক্ষকতা কৰি আছে। সময়ৰ সোঁতত উক্ত বিদ্যালয়খনি উচ্চতৰ মাধ্যমিক পৰ্যায় পালে আৰু শ্ৰদ্ধাৰ নুৰুল হকেও অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰিলে। গণিত বিষয়ত "সানোৱাৰ ডঃ মতিউৰ ৰহমান" হিচাপে খ্যাত সানোৱা হাই মাদ্ৰাছৰ সহকাৰী শিক্ষক প্ৰয়াত মাইনুদ্দিন আহমেদ উল্লেখিত। শ্ৰদ্ধাৰ নুৰুল হকৰেই সৃষ্টি। শিক্ষাৰ্থী সকলৰ পেটৰ নাড়ী ডাল ডাল কৰি হাস্য ৰসৰ সৃষ্টিৰে গণিতৰ পাঠদান কৰাৰ পাৰদৰ্শিতা আহৰণ কৰা গণিতৰ শিক্ষক মাইনুদ্দিন আহমেদৰ অকাল মৃত্যু কেৱল সানোৱাৰেই নহয় সমগ্ৰ দক্ষিন-পশ্চিম ছিপাঝাৰৰ বাবেই অপূৰণীয় ক্ষতি হিচাপে বিবেচিত হৈ থাকিব।

শিক্ষা দান আৰু শিক্ষা গ্ৰহণ কাৰ্যৰ সফলতা নিৰ্ভৰ কৰে ঘাইকৈ বিষয় শিক্ষক গৰাকীয়ে শিক্ষাৰ্থী সকলক নিজৰ প্ৰতি আকৰ্ষিত কৰিব পাৰিছে নে নাই তাৰ ওপৰত। তাতে যদি বিষয়টি গণিত বা ইংৰাজী নাইবা বিজ্ঞান হয় তেতিয়া হ'লে বিষয় শিক্ষক গৰাকীৰ দায়বদ্ধতা বহু বেছি ওপৰত। ঘৰুৱা শিক্ষকৰ পাঠ দান ব্যৱস্থাই এই দায়বদ্ধতাক যেন কিছু পৰিমাণে হ'লেও অৱজ্ঞাৰ পৰ্যায়লৈ লৈ গৈছে। অৱশ্যে সাম্প্ৰতিক সময়ত ঘৰুৱা শিক্ষকৰ দ্বাৰা পাঠ দান কৰোৱাটো শিক্ষাৰ্থীৰ অভিভাৱক সকলৰ বাবেও এক প্ৰকাৰ 'ফেশ্বন'ৰ দৰে হৈ পৰিছে। কিয়নো সাম্প্ৰতিক সময়ৰ ঘৰুৱা শিক্ষকৰ পাঠ দানৰ দৰে ব্যৱস্থা থাকিলে নিশ্চয় ডঃ মতিউৰ ৰহমানৰ দৰে গণিতজ্ঞ কৰবাত পৰি থাকিল গৈ হৈ নেকি? ডঃ মতিউৰ ৰহমানৰ দৰে দৰিদ্ৰ পৰিয়ালৰ পৰা বিশ্ব খ্যাত গণিতজ্ঞ গৰাকীৰ উৎপাদনৰ ক্ষেত্ৰত তেখেতৰ গণিত বিষয়ত পাৰদৰ্শিতাৰ লগতে বিভিন্ন শ্ৰেণীত তেখেতক গণিত শিকোৱা গণিতৰ শিক্ষক সকলৰো কম দায়বদ্ধতা নাছিল?

# অতৃপ্তি

**কবিতা শৰ্মা**



গুগুলে যুগুতোৱা বিভিন্ন ৰেচিপি চাই প্ৰস্তুত কৰা দেশী বিদেশী সুস্বাদু ব্যঞ্জনেৰে তাৰ উদৰ পূৰিল ঠিকেই কিন্তু মনটোহে যেন কৰবাত অতৃপ্ত হৈ ৰ'ল ....

যাকৰ হাতৰ ধোৱা ওলাই থকা মাটি মাহৰ দাইল আৰু হাঁহৰ কণীৰ পনীয়া জোলখনৰ ফুৰ ফুৰিয়া গোন্ধটো আহি তাৰ নাকত লাগিল।

# ইটা ভাতী

এৰি দিলে। গাঁৱৰ মানুহৰ সংগৰ পৰা আতঁৰি থাকিবলৈ ল'লে। আনকি নৰমী আৰু ছোৱালী দুজনীৰ লগতো কথা-বতৰা কমকৈ পতা হ'ল। তথাপিও পলি-পাহিক পঢ়ি শুনি ভাল হ'বলৈ সদায়ে কৈছিল। গাঁৱৰ মানুহে কদমৰ স্মৃতি শক্তি লোপ পালে, মানসিক বিকৃতি ঘটিছে আদিবোৰ বাক্যৰে ৰচনা ৰচিবলৈ ল'লে। কিন্তু কোনেও তাৰ মনোবেদনা বুজিবলৈ চেষ্টা নকৰিলে। গাঁৱতে থাকিও কদম গাঁৱৰ পৰা একেবাৰে বিছিন্ন হৈ পৰিল।

বছৰৰ পিছত বছৰ বাগৰিল। এটা পিছত এটাকৈ কেইবাটাও ইটা ভাতী গঢ় লৈ উঠিল কচুবিল গাঁৱত। লাহে লাহে কচুবিল গাঁৱত ইটা ভাতাই পাৰ্শ্বক্ৰিয়া আৰম্ভ কৰিলে। পকা ধানে জাতিস্কাৰ হৈ থকা আঘোণৰ পথাৰখনৰ বিৱৰ্ণ অৱস্থা চাই খেতিয়কে চকুৰ পানী টুকিবলৈ ল'লে। ফল-মূলে উভৈনদী বাৰীবোৰ উকা হৈ পৰিল। জন-জীৱনলৈ ভাবিব নোৱাৰা ধৰণে বিপৰ্যয় নামি আহিল। গাওঁবুঢ়াজনৰ শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হৈ হোৱা মৃত্যুৰ আচল গুৰিতো ইটা ভাতীৰ পৰা হোৱা প্ৰদূষণ বুলিয়েই ডাক্তৰে ক'লে। অকল সেয়াই নহয় কদমে কোৱা এটা এটা কথা ফলিয়ালে গাঁৱত। গাঁৱৰ কণ কণ ল'ৰাবোৰে স্কুলৰ মুখ নেদেখাকৈ ডেকা হৈ গ'ল। পঢ়া শুনাৰ পৰিবেশ সমূলি নাই, নাই ভঁৰালত ধান-মাহ-সৰিয়হ। বহুত খেতিয়কৰ মাটিতে ইটা ভাতা গঢ় লৈ উঠিল। মানুহে উশাহ-নিশাহ লোৱাত কষ্ট পায়। চৌদিশে কেৱল হাহাকাৰ। গাঁওখন যেন উছন হৈ যাব। উসঃ ৰতনৰো প্ৰাণ বায়ু এতিয়াই যেন ওলাই যাব। কোনেও তেতিয়া কদমৰ কথা নুশুনিলে। বেচেৰাই অকলে এখন গাঁৱৰ বিৰুদ্ধে যুঁজিব নোৱাৰি হাৰ মানি নিজকে মানুহৰ পৰা আঁতৰাই ৰাখিবলৈ ল'লে। নাই, এনেকৈ নহ'ব। আকৌ গাঁৱৰ মানুহ একগোট হ'ব লাগিব। এইবাৰ সকলো কদমৰ পক্ষত থিয় দিব। ৰতনে গাঁৱৰ পঢ়া শুনা কৰা ল'ৰা বিমানৰ হতুৱাই দৰ্খাস্ত এখন লেখালে। সেইখনত প্ৰথম চহীটো কৰাবলৈ সি কদমৰ ওচৰলৈকে কোবাকোবিকৈ আহিল। ৰতনৰ পিছে পিছে বিমানো আহিল। এজন দুজনকৈ গাঁৱৰ প্ৰায়খিনি মানুহ গোট খাই কদমৰ চোতাল ভৰি পৰিল। ৰতনে কদমলৈ কাগজখন আগবঢ়াই দিলে। কদমে কাগজখন পঢ়িয়ে গাঁওখনৰ ভালৰ বাবে লগে-লগে চহীটো কৰি দিলে। নৰমীকো কদমে চিএৰি ক'লে "নৰমী তয়ো কৰ চহী, কৰ ইয়াতে। সিবাৰ চহী কৰিবলৈ নাপাই দুদিন মোক মতাই নাছিলি নহয়।" নৰমী আগবাঢ়ি আহি কদমৰ চহীটোৰ তলতে লাজ লাজকৈ টিপ চহীটো মাৰিলে। এজন এজনকৈ গাঁৱৰ সকলোৱে চহী কৰি গ'ল।

এইবাৰো গাঁৱৰ মানুহ একগোট হৈছে যেতিয়া ইটা ভাতী গাঁৱৰ পৰা উঠাই নিবই লাগিব। কচুবিল গাঁৱলৈ আকৌ ভাল দিন আহিব। ইফালে পলি পাহিয়ে চোতালত গোট খাই থকা ল'ৰা ছোৱালীবোৰক পঢ়া শুনা কৰি ভাল হ'বলৈ বুজালে। আনকি সিহঁতক সেইদিনাই স্কুললৈ আহিবলৈকো সৈমান কৰালে। মানুহখিনি কদমৰ চোতালৰ পৰা ঘৰাঘৰি যোৱালৈ কুঁৰলীয়ে ঢাকি ৰখা বেলিটো পূৱ আকাশ ৰঙা হৈ স্পষ্টকৈ ধৰা দিছিল। পলি পাহিয়ে দেখিছিল হাতে হাতে কিতাপ ফলি লৈ ল'ৰা ছোৱালীবোৰ স্কুলৰ ফালে দৌৰিছে।

# ৰূপ নিমিত্তহে

হ'বলৈ কে টলৌ খুড়া তাঁহাতৰ ওচৰৰ পৰা বিদায় মাগি পোনে পোনে গাওঁবুঢ়াৰ ওচৰ পালেগৈ। গাওঁবুঢ়াৰ আগত সকলো কথা ভাঙি পাতি ক'লে। গাওঁবুঢ়াইয়েও প্ৰতিযোগিতা খনত সন্মতি জনাই গাওঁৰ ৰাইজৰ উপস্থিতিত পুৱা দহ বজাৰ পৰা প্ৰতিযোগিতা খন আৰম্ভ কৰিবলৈ ক'লে।

পিছদিনা নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট স্থানত সকলো প্ৰতিযোগিতা স্থলিত উপস্থিত হ'ল। প্ৰতিযোগিতা খনি আৰম্ভ হোৱাৰ আগতে সভাপতি নিৰ্বাচন কৰিলে। গাওঁবুঢ়াৰ নামটো গাঁৱৰে সৰ্ববৰহী মহিলা লাবণ্য বাইদেউৱে প্ৰস্তাৱ কৰিলে। উক্ত প্ৰস্তাৱটো টলৌ খুড়াই সমৰ্থন কৰিলে। তাৰপিছত বিচাৰকৰ দায়িত্বত গাওঁবুড়াই গাওঁখনৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰমেন চাৰৰ আৰু বিজ্ঞান শিক্ষক যোগেন চাৰক বিচাৰকৰ আসন শুৱনি কৰিবলৈ অনুৰোধ কৰিলে। বিচাৰক মণ্ডলীয়ে আসন গ্ৰহণ কৰাৰ পিছত সকলোকে নিজৰ নিজৰ যোগ্যতা প্ৰদৰ্শন কৰিবলৈ ক'লে। সকলোৱে নিজৰ যোগ্যতাখিনি বিচাৰকে বান্ধি দিয়া নিয়মানুৱৰ্তীতা খিনি বজাই ৰাখি প্ৰদৰ্শন কৰি গ'ল। এতিয়া সময় ফলাফলৰ। ৰমেন চাৰে যোগেন চাৰৰ লগত আলোচনা কৰি সকলো দিশ চালি-জাৰি চাই কাউৰীৰ নামটো ঘোষণা কৰিলে। কাউৰীয়েও মঞ্চলৈ উঠিগৈ বিচাৰকৰ পৰা সুন্দৰ পুৰস্কাৰটো হাতত লৈ বিচাৰকক সেৱা জনাই তললৈ নামি আহিল। তেনেতে তলত সকলো পক্ষীকুলৰ মাজত বু-বু-বা-বা আৰম্ভ হ'ল। সকলোৱে হৈ ভাটোৱে টেকটেককৈ চিএৰি আমি এই সিদ্ধান্ত মানি নলওঁ বুলি ক'লে। তেতিয়া বিচাৰকে সকলোকে ভালদৰে বুজাই দিলে যে সৌন্দৰ্য্য কেৱল দেখাত ধুনীয়া হোৱাটোকে নুবুজায়। সুন্দৰ হ'বলৈ আভ্যন্তৰীণ আৰু বাহ্যিক দুয়োটা দিশৰেই চাব লাগিব। আজি এই প্ৰতিযোগিতাখনটো আমি সকলো দিশ চাই কাউৰীক এই খিতাপে অলংকৃত কৰিলো। কাৰণ আমি শোৱাপাটী এৰো কাউৰীৰ মাততেই। আগৰ দিনত যেতিয়া ঘড়ী নাছিল তেতিয়া কাউৰীৰ মাততেই মানুহে সময়ৰৰ জোখ লৈছিল। আমাৰ চৌপাশৰ গেলা-পঁচা, মৰা জীৱ -জন্তু আদি ভক্ষণ কৰি আমাৰ চৌপাশ পৰিষ্কাৰ কৰি ৰাখে। আকৌ কাউৰীয়ে ক'ৰবাত সৰহ সংখ্যক খাদ্য দেখিলে গোটেই জাকটো মাতি একেলগে খাদ্য গ্ৰহণ কৰাৰ কথাটোৱে সম্প্ৰীতি ৰক্ষাৰ এটা ডাঙৰ উদাহৰণ। আকৌ কাউৰী খেতিয়কৰো পৰম বন্ধু। পথাৰখনৰ শস্যৰ অনিষ্টকৰী কীট-পতঙ্গ খাই খেতিয়কৰ শস্য অধিক উৎপাদন কৰাত সহায় কৰে। গতিকে আমি সকলোৱে মনত ৰখা উচিত যে কাউৰী আমাৰ সকলোৱে জীৱনৰ অত্যন্ত গুৰুত্বপূৰ্ণ উপাদান। মইনাহঁত অসমীয়াত কোৱা এযাৰ কথা সদায় মনত ৰাখিবা 'গুণেৰেহে সংসাৰ তৰে ৰূপেৰে নহয়'। চাৰৰ কথাখিনি শুনি সকলোৱে হাত চাপৰি বজাই খগেন মহন্ত ডাঙৰীয়াৰ কালজয়ী গীত "কলৰে পাততে কাউৰী পৰে আগলতি পাত মোৰ ল'ৰে চৰে" বুলি সকলোৱে গুণগুণালে। তাৰপিছত জাতীয় সংগীতটো গাই সভা ভংগ কৰিলে।

# হাইপোথাইৰয়ডিজিম-এক গুৰুতৰ স্বাস্থ্য সমস্যা

ডাঃ যুতিকা ওজা
মুৰব্বী অধ্যাপিকা, কমিউনিটি মেডিচিন বিভাগ
গুৱাহাটী চিকিৎসা মহাবিদ্যালয়



বহুতো মহিলাৰ এটা বয়সৰ পিছত সোনকালে ভাগৰ ধৰে, কাম কৰিবলৈ মন নাযায়, অলস ভাৱ হয় আৰু বহি থাকিলে উথিবলৈ মন নকৰে। বহুতৰে ধাৰণা যে এই সমস্যা সমূহৰ মূলতে হ'ল বয়স। বয়সৰ বাবেই বহুক্ষেত্ৰত এই সমস্যা সমূহে দেখা দিয়ে, যদিও, সকলো ক্ষেত্ৰতে ইয়েই একমাত্ৰ কাৰণ নহ'বও পাৰে। এই সমস্যাসমূহৰ এটা অন্যতম মুখ্য কাৰণ হৈছে হাইপোথাইৰয়ডিজিম (hypothyroidism)। আজিকালি বহুতো মহিলা এই ৰোগৰ দ্বাৰা আক্ৰান্ত হোৱা দেখা গৈছে। যেতিয়া শৰীৰে প্ৰয়োজনীয় থাইৰয়ড হৰম'ন নিঃসৰণ কৰিব নোৱাৰে তেতিয়া এই ৰোগ হ'ব পাৰে । সাধাৰনতে পুৰুষ আৰু মহিলা উভয়ৰে এই ৰোগ হ'ব পাৰে, কিন্তু পুৰুষৰ তুলনাত মহিলা মহিলাসকল বেছিকৈ এই ৰোগৰ দ্বাৰা আক্ৰান্ত হোৱা দেখা যায়। বহুতে এই ৰোগক থাইৰয়ড বুলিও কয়।

থাইৰয়ড গ্ৰন্থি (Thyroid Gland) হ'ল মানুহৰ ডিঙিৰ ভিতৰৰফালে থকা এক এণ্ড'ক্ৰাইন গ্ৰন্থি। এই গ্ৰন্থিয়ে শৰীৰৰ বাবে অতিকৈ প্ৰয়োজনীয় থাইৰয়ড হৰম'ন (T3, T4) প্ৰস্তুত কৰে। এই হৰম'নে শৰীৰৰ প্ৰায় সকলো অংগতে শক্তিৰ যোগান ধৰে। মানৱ দেহৰ হৃদযন্ত্ৰৰ স্বাভাৱিক প্ৰক্ৰিয়া, পাচন প্ৰক্ৰিয়া, শ্বাস-প্ৰশ্বাস প্ৰক্ৰিয়া সকলোতে এই হৰম'নৰ প্ৰয়োজন হয়। দেহৰ স্বাভাৱিক বৃদ্ধি আৰু বিকাশৰ ক্ষেত্ৰতো এই হৰম'নৰ ভূমিকা অপৰিহাৰ্য্য।

থাইৰয়ড হৰম'নৰ স্বাভাৱিক মাত্ৰাৰ তাৰতম্য হ'লে সাধাৰণতে সমস্যা সমূহ দেখিবলৈ আৰম্ভ কৰে। থাইৰয়ডজনিত সমস্যা সমূহ মূলতঃ দুই প্ৰকাৰৰ- হাইপোথাইৰয়ডিজিম (Hypothyroidism) আৰু হাইপাৰথাইৰয়ডিজিম (hyperthyroidism)। হাইপোথাইৰয়ডিজিম ৰোগত থাইৰয়ড হৰম'নৰ মাত্ৰা কমি যায় আৰু হাইপাৰথাইৰয়ডিজিম ৰোগত শৰীৰে অত্যাধিক মাত্ৰাত থাইৰয়ড হৰম'ন প্ৰস্তুত কৰে। বৰ্তমান সময়ত হাইপোথাইৰয়ডিজিম ৰোগত ভোগা ৰোগীৰ সংখ্যা হাইপাৰথাইৰয়ডিজিম ৰোগীৰ তুলনাত বহুত বেছি।

হাইপোথাইৰয়ডিজিম ৰোগৰ প্ৰধান লক্ষণসমূহ হৈছে-

- অস্বাভাবিক ওজন বৃদ্ধি পোৱা।
- ক'ম কষ্টতে ভাগৰুৱা অনুভৱ কৰা।
- শুকান আৰু ৰুক্ষ ছাল।
- অত্যাধিক ভাগৰুৱা অনুভৱ কৰা।
- চৰ্দি লগা।
- হতাশাগ্ৰস্ততা।
- মাংসপেশী দুৰ্বল হোৱা।
- কেতিয়াবা মাতটো খহতা হয় ইত্যাদি।

এই ৰোগৰ ফলত মানুহগৰাকীৰ খোৱাৰ ৰুচি নাথাকিলেও বা বেছি নাখালেও শকত হোৱা দেখা যায়। মাংসপেশী সমূহ দুৰ্বল হোৱাৰ বাবে কাম কৰাৰ ক্ষমতা ক'মি যায়। বহুতো মহিলাই ঠাণ্ডা সহ্য কৰিব নোৱাৰা হয়। কোষ্ঠকাঠিন্যই দেখা দিয়ে। তেজত কলেষ্টেৰলৰ মাত্ৰা বৃদ্ধি পায়। গাঁঠিদমূহৰ বিষ হ'বলৈ আৰম্ভ কৰে। মাহেকীয়া অনিয়মীয়া হয় আৰু স্মৃতিশক্তি ক'মি যাবলৈ ধৰে। তেজত থাইৰয়ড হৰম'নৰ পৰিমানৰ দ্বাৰা এই ৰোগ চিনাক্তকৰণ কৰা হয়।

হাইপোথাইৰয়ডিজিম ৰোগৰ কাৰণ সমূহৰ ভিতৰত সাধাৰণতে অত্যাধিক ধুমপান অটোইমিউন ৰোগসমূহ থাইৰয়ড গ্ৰন্থিৰ শল্য চিকিৎসা ৰেডিঅ'থেৰাপী (সাধাৰণতে কৰ্কট ৰোগীৰ ক্ষেত্ৰত ব্যৱহাৰ হয়)। খোৱা আহাৰত প্ৰয়োজনতকৈ ক'ম আয়ডিনৰ পৰিমাণ আদিয়েই অন্যতম। বংশানুমিকক্ৰ ভাৱেও এই ৰোগ হোৱা দেখা যায়। কিছুকিছু ক্ষেত্ৰত গৰ্ভাৱস্থা বা শিশু জন্ম হোৱাৰ ছমাহৰ ভিতৰতো এই হাইপ'থাইৰয়ডিজিম ৰোগ হোৱা দেখা যায়।

সঠিক সময়ত আৰু প্ৰাৰম্ভিক পৰ্য্যায়ৰ পৰা চিকিৎসা নকৰিলে এই ৰোগে জটিল ৰূপ ধাৰণ কৰে। বহুক্ষেত্ৰত ডিঙি উখহি অহা দেখা যায় (যাক আমি স্থানীয় ভাষাত গৰল ৰোগ হোৱা বুলিও কও)। ইয়াৰ ফলত ডিঙিৰ অস্বাভাৱিক আকাৰৰ লগতে খোৱা বস্তু গিলোতে অসুবিধা হয় আৰু উশাহ-নিশাহতো ব্যাঘাত জন্মায়। হৃদযন্ত্ৰৰ ৰোগসমূহে গা কৰি উঠে। সময়ৰ লগে লগে ৰোগীগৰাকী অত্যাধিকভাৱে হতাশাগ্ৰস্ততাত ভুগিবলৈ লয়। হাতভৰিৰ জিনজিননি বৃদ্ধি পায়। অলপ ঠাণ্ডা ও সহ্য কৰিব নোৱাৰা অৱস্থা হয়। কেতিয়াবা কেতিয়াবা ৰোগী মূৰ্চা খোৱাও পৰিলক্ষিত হয়। ইয়াৰ উপৰি ষ্ট্ৰোক, উচ্চ ৰক্তচাপ, অক্টিঅ'প'ৰছিছ, সন্তানহীনতা ইত্যাদি জটিল অৱস্থা পৰ্য্যন্ত পায়গৈ।

প্ৰথম অৱস্থাৰ পৰাই পৰীক্ষাৰ দ্বাৰা ৰোগ নিৰূপণ, চিকিৎসকৰ পৰামৰ্শ, নিয়মিত দৰৱৰ ব্যৱহাৰ, স্বাভাৱিক জীৱনশৈলী আদিৰ দ্বাৰা হাইপোথাইৰয়ডিজিম ৰোগ নিয়ন্ত্ৰণ কৰি ৰাখিব পাৰি।

থাইৰয়ড সম্বন্ধীয় নিৰ্দিষ্ট দৰৱ আৰু প্ৰয়োজনীয় শল্য চিকিৎসাৰ দ্বাৰা এই ৰোগৰ চিকিৎসা কৰা হয়।

ইয়াৰ উপৰিও জীৱনশৈলীৰ পৰিবৰ্তনৰ দ্বাৰাও এই ৰোগৰ পৰা আঁতৰত থাকিব পাৰি। নিয়মিত স্বাস্থ্য পৰীক্ষা এই ৰোগৰ পৰা আঁতৰত থকাৰ অন্যতম উপায়। যথাসম্ভৱ সকলো প্ৰকাৰৰ ধূমপাণ বৰ্জন কৰা উচিত। যোগাসনৰ দ্বাৰাও এই সমস্যাসমূহ নিয়ন্ত্ৰণ কৰি ৰাখিব পাৰি। ইয়াৰ লগতে সন্তুলিত আহাৰ (Blanced Diet) গ্ৰহণ কৰাটো অতিকৈ প্ৰয়োজন। ভিটামিনযুক্ত আহাৰ, প্ৰটিন, কেলছিয়াম, মেগনেছিয়াম আৰু

(দহ পৃষ্ঠাত চাওক)

# এক মিনিটৰ গল্প (বেদ খুড়াৰ বিলৈ)

ইৰা বৰুৱা, যোৰহাট



আজি কিছুদিনৰ পৰা বেদ খুড়াই কিছু অস্বাভাবিক আচৰণ কৰি ফুৰিছে। ওচৰ চুবুৰীয়া সকলো অবাক। ইমান ফুৰ্তিবাজ মানুহজনৰ হঠাৎ কি হ'ল। কাকো ভালদৰে নামাতে। খোৱা বোৱাতো মন নাই আনকি নিজৰ ল'ৰা ছোৱালী হালকো ভালদৰে মাতবোল নকৰা হ'ল। তাৰোপৰি নিজৰ পত্নীৰ ছাঁটোকে নোচোৱা হ'ল । খুড়ী ইমান ধেমেলীয়া মনখোলা মানুহ আগতে ইটোৰে সিটোক নেদেখাকৈ থাকিবই নোৱাৰে। মানুহৰ আগত কয় তেওঁলোকৰ হেনো যোৰাটো গণক দেউৰে চাই দিয়া একেবাৰে পাভযোৰা। এতিয়া দেখোন খুড়ী ওচৰলৈ আহিলে খুড়া দূৰতে পলায়। দুৰৈৰ পৰা ভয়াৰ্ত্ত চাৱনিৰে চাই যেন সেই যখিনী যেন লগা মানুহজনী বৰ্ত্তমান বিশ্বত্ৰাস সৃষ্টি কৰা কালান্তক মহামাৰী বিধ।

বেদ খুড়া ৰাজহুৱা খুড়া। শিক্ষা দীক্ষা কম যদিও বুদ্ধি অমায়িক গুনৰ বাবে সকলোৰে প্ৰিয়, আচৰিত তেওঁৰ এই পৰিবৰ্তন। এনেহেন সময়তে সৰু খুলখালিটো আহি ভিনদেউ বুলি মাতিবলৈহে পালে নিজৰ পিন্ধি থকা ধুতিখনৰে আগ এটা ফালি মুখত বান্ধি লৈ নিজৰ ল'ৰা ছোৱালি দুটা টানি লৈ বৰপুখুৰীৰ পাৰ পালেগৈ আৰু মুখেৰে কিবা ভোৰ ভোৰাই থাকিল। গতি বিষম দেখি ঘৰত হুৱা দুৱা লাগিল। দুই এজন মানুহ আগবাঢ়ি গৈ তেওঁক বুজনি দি ঘৰলৈ আহিবলৈ কোৱাতহে আচল ৰহস্য ফাদিল হ'ল। খুড়াই চিঞৰি চিঞৰি ক'লে মোৰ ঘৰত সেই চাইনিজ মহামাৰী বিধ সোমাই আছে মোক বচাওক। সিহঁতক উলিয়াই দি মোৰ ঘৰটো দৰৱ

(দহ পৃষ্ঠাত চাওক)

# মোৰ প্ৰীয়তম

মানসী বৰঠাকুৰ, উত্তৰ গুৱাহাটী



মনত পৰিছে মোৰ প্ৰিয়তমলৈ
প্ৰিয়তম তুমি মোৰ আহাঁ কাষলৈ
চকুৰ আঁতৰত আছা তুমি
মনৰ মাজত নিচেই ওচৰত তুমি
জীয়াই আছোঁ তোমাৰ অপেক্ষাত
ৰাখিবা মোক সদায় তোমাৰ হিয়াত
প্ৰতিটো পুৱা আৰম্ভ হয় তোমাৰ কথাৰে
দিনটো ও শেষ হয় তোমাৰ হাহিঁৰে
তুমিয়েই মোৰ জীৱন
তুমিয়েই মোৰ সপোন
তুমিয়েই মোৰ সকলোতকৈ আপোন।।

# মোৰ প্ৰেমত নপৰিবা তুমি

**হেমন্ত কুমাৰ শইকীয়া**



মোৰ প্ৰেমত নপৰিবা তুমি
পাৰিবা জানো মোৰ প্ৰেমৰ বিৰহত
নীলকণ্ঠ হৈ প্ৰেমৰ প্ৰতীক জিলিকাব
নালাগে দিয়া মোৰ অবুজ মনৰ প্ৰেমত পৰিব ।।
মইতো জীৱনৰ অভিমান বোৰো চিনি নাপাও
কেনেকৈ ভাঙিম!!
তোমাৰ স্বপনীল মনৰ অভিমান বোৰ ।
অজুহাত মই কৰিব নোৱাৰো উন্মনা হৈ থকা
যৌৱনা সেই খংৰ
খং মই নকৰো বাবেই হয়তো তুমিও
মোকো খং কৰিব নোৱাৰিবা
যদি মোৰ প্ৰেমত পৰিব খুজিছা ।।
মই পলাশ দেখুৱাবলৈ পাহৰি থাকিলো
জীৱনৰ প্ৰতিঘাত বোৰে আমনি কৰি যোৱা বাবে ।
মাথো কাৰোবাৰ প্ৰেমত পৰিবলৈ মনটোৱে উচপিচ লগাই থাকে ।।
সাথঁৰ সাথঁৰ লগা কথা বোৰে মোক বৰকৈ টোপনি কাঢ়ে
মই যে প্ৰেমতো পৰিব নাজানো কিয়নো ।
হৃদয়ৰ কোণত খলকনি লগোৱা বেদনাৰ ভাষা মই বুজি নাপাও
তুমি শুনিছানে, মোৰ প্ৰেমত নপৰিবা ।।
মোৰ জীৱনৰ প্ৰেমতো নপৰিবা
মইতো সন্ধিয়াৰ আড্ডাত
চিগাৰেটৰ ধুৱাত মাতাল হও ।
ধ্বংস বুলি একো নাই মোৰ
কিন্তু কাৰো কাকো প্ৰেমৰ নামত প্ৰতাৰণা কৰি
ধ্বংস কৰিব নোৱাৰো আৰু মই।।
মই বুজি পাও !মোৰ প্ৰেমত পৰিছা তুমি
মোৰ প্ৰেমত পৰিবা মই একো নকও ।
প্ৰেমটো কাৰো নিজা সম্পতি নহয়
মাথো প্ৰেমীক জনক সদায় নিজৰ কৰিবা ।।

# প্ৰণামো তোমাক

**ৰাজলক্ষ্মী বৰঠাকুৰ,গোলাঘাট**



হে শিল্পী জনালোঁ
তোমাক শতকৌটি প্ৰণাম,
আজি এই শুভ ক্ষণত
জনম লভি ধন্য কৰিছিলা
অসম মাতৃক,
গীত, কবিতা, আৰু নাটকেৰে
বিশ্ব দৰবাৰত জিলিকালা
অসম মাতৃক,
হে মহান শিল্পী
আজি শুভ লগনত
জনালোঁ তোমাক প্ৰণতি।

# হাইপোথাইৰয়ডিজিম

আয়'ডিন যুক্ত আহাৰ সমূহ আমাৰ দৈনিক খাদ্য তালিকাত অন্তৰ্ভূক্ত কৰিব লাগে। সেউজীয়া শাক পাছলি, ফল মূল, কল, আম, আপেল, মধুৰীআম, আয়'ডিন যুক্ত নিমখ, মাছ, মাংস, কণী আদিত উপৰোক্ত ভিটামিন আৰু শৰীৰৰ প্ৰয়োজনীয় দ্ৰব্য সমূহ যথেষ্ট পৰিমাণে থাকে।

অৱশ্যে ফুলকবি, বন্ধাকবি,ব্ৰ'ক'লি, পাছলি কমাই খাব লাগে। এনেবোৰ পাছলিত অধিক পৰিমাণে খালে শৰীৰত আয়'ডিন শোষণত ব্যাঘাত জন্মে, ফলস্বৰূপে থাইৰয়ড জনিত সমস্যা সমূহে গা কৰি উঠিব পাৰে।

যদিও যিকোনো বয়সতেই হাইপোথাইৰয়ডিজিম ৰোগ হ'ব পাৰে, সাধাৰণতে ৬০ বছৰ বয়সৰ ওপৰৰ মহিলাসকল এই ৰোগত বেছিকৈ আক্ৰান্ত হোৱা দেখা যায়। সেয়েহে মহিলাসকল এই ক্ষেত্ৰত অত্যন্ত সাৱধান হ'ব লাগে।

# এক মিনিটৰ গল্প

চটিয়াই শুদ্ধ কৰিলেহে মই ঘৰত সোমাম। মোৰ ঘৰত চীনদেশৰ সেই মাৰাত্মক বিজাণু বিধ সোমাই পকিয়ালটো শেষ কৰিলে। গোটেই ঘৰটো কোৱাৰটাইন (কোৱাৰেন্টাইন) হ'ল। এতিয়া আচল কথালৈ আহোঁ।

আজি ১০ বছৰৰ আগতে শিমলুতলৰ সনাতন গোঁসাইৰ জীয়েকক বেদ খুড়াই বিয়া পাতি আনিছিল। ইমান দিন সুখেৰে গ'ল। খুড়ীৰ আচল নাম আকৌ (কৰুনা) দেউতাক সনাতনে সোলা মুখেৰে মাতোতে মাতোতে উচ্চাৰণ হ'লগৈ (কৰোনা) খুড়াই শহুৰেকৰ ঠাচ দি মৰমত মাতোতে "ৰু" ঠাইত "ৰো" হ'ল। তাতে আকৌ "এ" কমাটো লাগি হ'লগৈ মহামাৰী। চাওক চোন কি লেঠাখন লাগিল।

তাতোতকৈ ভয়ঙ্কৰ কথাটো হ'ল সনাতন গোঁসাইৰ দুটা ল'ৰা ডাঙৰটোৰ নাম "ডেভিড" একেবাৰে ইংলিছ নাম আৰু সৰুটোৰ নাম মিলাই "কভিড" একেবাৰে চাইনাৰ মাল। গতিকে খুড়াই সিহঁতক যমদূত বুলি ভয় খোৱাটো স্বাভাৱিক। পিছে ৰাইজে বুজাই বঢ়াই সন্ধি-সমাস ভাঙি দিলতহে খুড়া শান্ত হ'ল, তথাপি খুড়ীক সহজ ভাবে লব পৰা নাই কাৰণ এতিয়াও খুড়ীৰ চকুহাল দেখিলে ক'ৰোনাৰ সেই কাঁইটীয়া বল দুটা যেন অনুভৱ কৰে। ভগৱানক প্ৰাৰ্থনা কৰো যাতে খুড়াৰ পৰিয়ালৰ পুনৰ শান্তি ঘুৰি আহক।

# গ্ৰন্থ প্ৰেৰণাৰ উৎস

**পুলিন ডেকা**



গ্ৰন্থ হৈছে সৃষ্টিশীল মনৰ প্ৰতিফলন। একো একোখন মহৎ গ্ৰন্থই মানুহৰ জীৱনত সৰ্বাত্মক প্ৰভাৱ পেলায়। মানুহৰ মনন জগতক গ্ৰন্থই প্ৰভাৱিত কৰি চিন্তাৰ জগতখনক প্ৰভাৱিত কৰিব পাৰে। সৃজনাত্মক মন এটি উন্মেষিত কৰাৰ দিশত গ্ৰন্থই মাৰ্গ দৰ্শন দিয়াৰ লগতে আলোকসন্ধানী পথেৰে যোৱাৰ দিশত নব্য প্ৰবাহৰ সূচনা কৰে। গ্ৰন্থই যি জ্ঞান প্ৰদান কৰে, তাৰ জৰিয়তে মানুহে নৱ ৰূপত আত্মপ্ৰকাশ কৰাৰ বাবে সন্মুখৰ পথ প্ৰশস্ত কৰাৰ দিশতো ক্ষমতা আহৰণ কৰে। গ্ৰন্থৰ ইতিহাসত ভিন্ন ৰূপত ইয়াৰ স্বৰূপ প্ৰকাশি আহিছে। বহু বৰেণ্য ব্যক্তিৰ জীৱনত গ্ৰন্থই এনেভাৱে আলোড়িত কৰিছে যে সমগ্ৰ জীৱনব্যাপী তাৰ সেই শক্তিৰে উদ্ভাসিত হৈ আমাৰ সভ্যতাক অধিক মহীয়ান কৰি যাবলৈ সমৰ্থ হৈছে। চিন্তন আৰু মনন জগতৰ সংযোগ সাধন কৰি প্ৰত্যয়দীপ্ত দিশেৰে আগুৱাই যাবলৈ হ'লে মানুহৰ চেতনাক উদ্দীপ্ত কৰাটো নিত্যন্তই প্ৰয়োজন। আত্মবিশ্বাস, ধৈৰ্য, সাহস তথা কল্পনাপ্ৰসুত মন এটাক বাস্তৱধৰ্মী কৰিবলৈ হ'লে এটা সত্য পথৰ প্ৰয়োজন। যুগে যুগে গ্ৰন্থই মানুহক জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাৰে আগুৱাই যোৱাৰ বাবে প্ৰেৰণা যোগাই আহিছে। প্ৰাক্তন ৰাষ্ট্ৰপতি তথা মহান বিজ্ঞানী ড° এ পি জে আব্দুল কালামে এবাৰ কটক চহৰলৈ গৈছিল স্বৰ্গীয় বিচাৰপতি হৰিহৰ মহাপাত্ৰৰ জন্মদিনৰ অনুষ্ঠানত যোগদান কৰাৰ উদ্দেশ্যে । অনুষ্ঠানত বক্তব্য দিয়াৰ পিচত উপস্থিত ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰিছিল। এজন ছাত্ৰই আব্দুল কালামক প্ৰশ্ন কৰিছিল - ' ছাৰ আপোনাৰ প্ৰিয় গ্ৰন্থ কি? 'উত্তৰত প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীয়ে কৈছিল চাৰিখন গ্ৰন্থৰ কথা। নোবেল পুৰস্কাৰেৰে বিভূষিত গ্ৰন্থ এলেক্সি কেৰলিৰ 'মেন দা আনন'ন। এই গ্ৰন্থখন শৰীৰ আৰু মনৰ দৰ্শনক লৈ লিখা হৈছিল। দ্বিতীয়খন গ্ৰন্থ আছিল তামিল ভাষাত লিখা থিৰুভাল্লুভাৰৰ 'থিৰুক্কুৰাল'। ইয়াক তামিল ভাষাৰ বেদ হিচাপে বহুতে অভিহিত কৰি আহিছে। তৃতীয়খন গ্ৰন্থ আছিল লিলিয়ান ইটচলাৰ ৰাটছনৰ ' লাইট ফ্ৰম মেনি লেম্প' । চতুৰ্থখন গ্ৰন্থ আছিল 'পবিত্ৰ কোৰান'। এই গ্ৰন্থকেইখনে আব্দুল কালামক ইমানেই প্ৰভাৱিত কৰিছিল যে তেওঁৰ কৰ্ম আৰু জীৱন সন্দৰ্ভত ধাৰণা সলনি কৰি পেলাইছিল। মহান বিজ্ঞানী আইনষ্টাইনৰ জীৱনত গ্ৰন্থৰ প্ৰভাৱ অপৰিসীম। তেওঁৰ 'থিয়ৰি অব্ ৰিলেটিভিটি'য়ে আধুনিক বিজ্ঞান জগতখনলৈ এনে এক ৰূপান্তৰ আনে, যাৰ ফলত আধুনিক বিশ্বই নৱ দিশেৰে গতি কৰাৰ পথ প্ৰশস্ত কৰি তোলে। এইগৰাকী বিজ্ঞানীয়ে নিজে স্বীকাৰ কৰিছে যে এই সূত্ৰ উদ্ভাৱনত এখন গ্ৰন্থই তেওঁ মানসিক জগতখনক এনেভাৱে প্ৰভাৱিত কৰিছিল যে যাৰ ফলত বিজ্ঞানমনস্ক দিশটোৱে অতি গভীৰতালৈ প্ৰৱেশ কৰে। ঊনবিংশ শতিকাৰ অষ্ট্ৰিয়ান দাৰ্শনিক তথা পদাৰ্থবিদ এনচ মাখে লিখা এখন বিখ্যাত গ্ৰন্থ আছিল 'এনালাইচিছ অব্

(বাৰ পৃষ্ঠাত চাওক)

# মৈৰাবাৰীত পথ নিৰ্মাণত ব্যাপক দুৰ্নীতিৰ অভিযোগ ঠিকাদাৰ বিৰুদ্ধে



ৰঙিলী বাৰ্ত্তাসেৱা - মৈৰাবাৰীৰ পৰা মৰিগাঁও লৈ যোৱা মূল PWD পথ নিৰ্মাণত ব্যাপক দুৰ্নীতিৰ অভিযোগ স্থানীয় ৰাইজৰ৷ৰাইজৰ অভিযোগ মৈৰাবাৰীৰ কেইবাজন ব্যাক্তিক মেনেজ কৰি ঠিকাদাৰ জনে চলাই গৈছে লুণ্ঠন ৰাজ। ৰাইজে লাহৰীঘাট ৰাজহ চক্ৰ বিষয়াক অভিযোগ দিয়াৰ পিছতো নাপালে সুফল। নিৰুপাই হৈ স্থানীয় ৰাইজে কাষ চাপে মৰিগাঁও জিলা উপায়ুক্তৰ।পথ নিৰ্মাণত ঠিকাদাৰ জনে অতি নিম্ন মানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ ফলতে মাত্ৰ এমাহৰ ভিতৰতেই জহি-খহি গৈছে পথ। চাওক আমাৰ এই দৃশ্য কিদৰে কন-কন ল'ৰা বিলাকে হাতেৰে উঠাই পেলাইছে পথৰ কাৰপেড়িং । ৰাইজে কলিয়াবৰ লোকসভাৰ সাংসদ গৌৰৱ গগৈ আৰু ধিং সমষ্টিৰ বিধায়ক হাজি আমিনুল ইছলামক এই ক্ষেত্ৰত এক লিখিত অভিযোগ দিছে। ৰাইজৰ দাবী মৰিগাঁও জিলা উপায়ুক্তই ক্ষেত্ৰবিত্তিক এক তদন্ত কৰক। জিলা উপায়ুক্তৰ তদন্তৰ পিছত হে ঠিকাদাৰ জনক কাম কৰিবলৈ দিয়া হ'ব। ৰাইজে বৰ্তমান পথ নিৰ্মাণৰ কাম বন্ধ কৰি দিয়ে।

# Industry Minister mourns the demise of former MLA Madan Kalita



Dispur, RB News Industries and Commerce Minister Chandra Mohan Patowary has condoled the demise of former MLA Madan Kalita. In a statement, the Minister said, 'Madan Kalita was a leader of the masses. He worked relentlessly for the development of the constituency. His demise is an irreparable loss.' The Minister also extended his condolences to members of the bereaved family and prayed to the Almighty for eternal peace of the departed soul.

# ড০ হিমন্ত বিশ্ব শৰ্মাৰ কেবিনেটৰ সিদ্ধান্তত উৎফুল্লিত সদৌ অসম মহাবিদ্যালয় অমঞ্জুৰীকৃত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সন্থা

ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৌৰাহিত্যত ১২ জানুৱাৰীত অনুষ্ঠিত কেবিনেট বৈঠকৰ সিদ্ধান্ত অনুসৰি, জানিব পৰা মতে, শিক্ষা বিভাগৰ অধীনত মহাবিদ্যালয়সমূহৰ ৫২৪ টা চতুৰ্থ বৰ্গৰ পদসমূহ পূৰণ কৰা হ'ব আগন্তুক ১০ মে'ৰ ভিতৰত। এই সন্দৰ্ভত সদৌ অসম মহাবিদ্যালয় অমঞ্জুৰীকৃত চতুৰ্থ বৰ্গ কৰ্মচাৰী সন্থাৰ সাধাৰণ সম্পাদক প্ৰণৱ পাটগিৰিয়ে সংবাদ মাধ্যমৰ আগত কয়, "মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ এই সিদ্ধান্তত সদৌ অসম মহাবিদ্যালয় অমঞ্জুৰীকৃত চতুৰ্থবৰ্গৰ কৰ্মচাৰী সন্থা আনন্দিত। লগতে এটা অনুৰোধ যে, আমাৰ দীৰ্ঘদিনৰে পৰা মৰকল হৈ থকা, অমঞ্জুৰীকৃত চতুৰ্থ বৰ্গ কৰ্মচাৰীসকলক কোনো ধৰণৰ পাৰচেন্টেজৰ ওপৰত ভিত্তি নকৰাকৈ, বিনাচৰ্তে আমাৰ পদসমূহ নিয়মীয়াকৰণ কৰে যেন। বিগত ১৫ বছৰেই আমাৰ সমস্যা সমূহ কোনোদিনেই গুৰুত্ব সহকাৰে গ্ৰহণ কৰা নাছিল পূৰ্বৰ চৰকাৰসমূহে । যাৰ ফলত আজিও আমি দুবেলা দুমুঠি খাবলৈ চিন্তা কৰিব লগা হৈছে । আৰ্থিক অনাটনৰ ফলত বহু দুৰ্বিসহ হৈ পৰিছে আমাৰ জীৱনৰ আগন্তুক সময়চোৱা। কিন্তু বৰ্তমান মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ দিনত আমাৰ সমস্যাসমূহ সমাধান হোৱাৰ পথত। ১২ জানুৱাৰীত অনুষ্ঠিত কেবিনেট বৈঠকে ইয়াৰ এক ইতিবাচক ইংগিত প্ৰদান কৰে বুলি জানিবলৈ দিয়ে সদৌ অসম মহাবিদ্যালয় অমঞ্জুৰীকৃত চতুৰ্থ বৰ্গ কৰ্মচাৰী সন্থাৰ সাধাৰণ সম্পাদক প্ৰণৱ পাটগিৰিয়ে । লগতে ড° হিমন্ত বিশ্ব শৰ্মাৰ সিদ্ধান্তত, প্ৰণৱ পাটগিৰিয়ে আনন্দ প্ৰকাশ কৰি কয় যে, "ইংৰাজী নৱবৰ্ষৰ পবিত্ৰ ক্ষণত আৰু ভোগালী বিহুৰ পবিত্ৰ সময়তেই দুৰ্ভগীয়া আৰু বয়সে ভাটি দিয়া মহাবিদ্যালয়সমূহৰ অমঞ্জুৰীকৃত চতুৰ্থ বৰ্গ কৰ্মচাৰীৰ বাবে আহিছে এক আশাৰ ৰেঙনি ।"

# "অসমখন হিমন্ত বিশ্ব শৰ্মাৰ পৈত্ৰিক সম্পত্তি নহয়" - ভূপেন বৰা




ৰঙিলী বাৰ্ত্তাসেৱা- মেঘালয়ক তেওঁলোকে দখল কৰি থকা মাটি অসম চৰকাৰে বিনাবাক্য এৰি দিবলৈ নিজৰ খেয়াল-খুচি মতে লোৱা সিদ্ধান্তৰ বিৰুদ্ধে অসম প্ৰদেশ কংগ্ৰেছে দিছপুৰত আয়োজন কৰা এক আলোচনা সভাত প্ৰায় ডেৰকুৰি শিক্ষাবিদ, বুদ্ধিজীৱি, আইনজীৱিয়ে অংশগ্ৰহণ কৰি চৰকাৰৰ এই হঠকাৰী সিদ্ধান্ত তাৎক্ষণিকভাৱে বাতিল কৰিবলৈ দাবী জনাইছে। অসম চৰকাৰৰ এই আত্মসমৰ্পণ কোনো কাৰণতে অসমৰ ৰাইজে মানি নলয় বুলি সভাত সকলোৱে একমুখে মত ব্যক্ত কৰে। প্ৰদেশ কংগ্ৰেছ কমিটী আৰু কংগ্ৰেছ বিধায়িনী দলৰ যুটীয়া আহ্বানত অনুষ্ঠিত কৰা সভাখনত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বিষয়টোক লৈ প্ৰাৰম্ভিক বক্তব্য তুলি ধৰে। সৰ্বদলীয় সভাত কংগ্ৰেছৰ তৰফৰ পৰা দাঙি ধৰা পৰামৰ্শ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি পিছুদিনাই কেবিনেটে মেঘালয়ক মাটি এৰি দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিলে বুলি উল্লেখ কৰি শইকীয়াই কয় যে সকলো এখন পূৰ্বপৰিকল্পিত নাটকৰ অংশ মাত্ৰ। ইয়াৰ পিছতে বিস্তৃত আলোচনা হয় আৰু সকলো সাংবিধানিক বিধি-ব্যৱস্থা উপেক্ষা কৰি নিজৰ ৰাজনৈতিক মুনাফা আদায়ৰ স্বাৰ্থত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই একনায়কত্ববাদী শাসন চলাইছে বুলি অংশগ্ৰহণকাৰী সকলে মুকলিকৈ অভিযোগ ব্যক্ত কৰে। মেঘালয়ে দীৰ্ঘদিন অসমৰ এক বিশাল ভূমিখণ্ড দখল কৰি আছিল আৰু সেই তথ্য অসম বিধানসভাৰ মজিয়াত বিভিন্ন চৰকাৰৰ দিনত আনুষ্ঠানিকভাৱে ঘোষণা কৰা হৈছে। এতিয়া নিজৰ ৰাজনৈতিক ভৱিষ্যৎ সুৰক্ষিত কৰাৰ স্বাৰ্থতে ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰতীয় সংবিধান, প্ৰচলিত আইন আৰু অসম বিধান সভাৰ কৰ্তৃত্বক সম্পূৰ্ণ অস্বীকাৰ কৰি অসমৰ এছোৱা মাটি মেঘালয়ক এৰি দিবলৈ সিদ্ধান্ত লৈ এই হঠকাৰী সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি কেইবাগৰাকীও অংশগ্ৰহণকাৰীয়ে খুব স্পষ্টভাৱেই মুখ্যমন্ত্ৰী গৰাকীক তীব্ৰ সমালোচনা কৰে। কংগ্ৰেছ দলে সৰ্বদলীয় সভাত উত্থাপন কৰা দাবীক যুক্তিপূৰ্ণ বুলি স্বীকাৰ কৰি প্ৰায়সকল বক্তাই বিধান সভাক উলাই কৰি এনে এটা স্পৰ্শকাতৰ বিষয়ত কেনেকৈ সিদ্ধান্ত গ্ৰহণ কৰা হ'ল সেই বিষয়ে প্ৰশ্ন তোলে। কেইবাগৰাকীও অংশগ্ৰহণকাৰী আইনজীৱিয়ে প্ৰদেশ কংগ্ৰেছক এই ক্ষেত্ৰত চৰকাৰী সিদ্ধান্তৰ বিৰুদ্ধে ৰাজপথৰ যুঁজৰ লগতে আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই সভাপতিৰ বক্তব্য দাঙি ধৰি সকলোকে দলৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে আৰু কয় যে এই সভাই আজিৰ পৰা কংগ্ৰেছক এক নতুন শক্তি দিলে। কংগ্ৰেছে কোনো কাৰণত এই চৰকাৰৰ অগণতান্ত্ৰিক, অসাংবিধানিক কাম-কাজ চলি থাকিবলৈ নিদিয়ে। সৰ্বশক্তিৰে কংগ্ৰেছে অসমৰ জনগণৰ স্বাৰ্থত সদায় কাম কৰিব বুলি প্ৰকাশ কৰি বৰাই কয় যে ৰাইজক বিশ্বাসত নোলোৱাকৈ, বিধানসভাক গুৰুত্বহীন কৰিবলৈ এৰি দিয়া নহ'ব। "অসম হিমন্ত বিশ্ব শৰ্মাৰ পৈত্ৰিক সম্পত্তি নহয়"-বৰাই কয়। এই আলোচনা সভাত দলৰ কেইবাগৰাকীও সাংসদ, বিধায়ক, দলীয় শীৰ্ষ নেতৃত্বৰ উপৰি অনন্ত কলিতা, হাফিজ ৰছিদ আহমেদ চৌধুৰী, পৰেশ মালাকাৰ, অধ্যাপক আব্দুল মান্নান, কিশোৰ কুমাৰ কলিতা, গৌতম চৌধুৰী, পংকজ দুৱৰা, উৎপল হালৈকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে বিষয়টোৰ ওপৰত নিজা নিজা বক্তব্য দাঙি ধৰে। স্বাস্থ্যজনিত কাৰণত ড° হীৰেন গোহাঁই সভাত উপস্থিত থাকিব নোৱাৰিলে যদিও লিখিতভাৱে তেওঁৰ মতামত ঘোষণা কৰি বিষয়টোত কংগ্ৰেছ দলৰ স্থিতি উচিত আৰু সমৰ্থনযোগ্য বুলি প্ৰকাশ কৰিছে।

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

**Rongili Barta**
GUWAHATI—781025

৯ মাঘ, ১৪২৭ চন Rongili Barta, Date of Publication-- 23 January, 2022

# গ্ৰন্থ

ছেনচেচন’। মাখে মানুহৰ ইন্দ্ৰিয়নুভূতিৰ ছয়ামযা ৰূপ আৰু অহমিকা ভাবৰ পৰিৱৰ্তনক্ষম দিশসমূহ তুলি ধৰিছিল। মাখৰ নীতিৰ আধাৰত ঘনত্বৰ ভিতৰত হোৱা আন্তঃক্ৰিয়াৰ বাবেই জড়তাৰ সূচনা হয়। এই বিষয়টোকে আইনষ্টাইনে বিজ্ঞান সন্মতভাৱে প্ৰমাণ কৰে। জিৰণি অথবা জীৱনটোক উপভোগ্য কৰি তুলিবলৈ তেওঁ স্পেইনৰ সাহিত্যিক মিগেল দি চেৰভানটেজৰ ‘ডন কেখকটে’ অধ্যায়ন কৰিছিল। ভিং‍ৰিয়ান যুগৰ কবি ডব্লিউ অ’ হেনলেৰ ‘ইনভিকটাছ’ কবিতাটোৱে বিশ্বৰ অগণন লোকক সাহস আৰু প্ৰেৰণা যোগাই গৈছে। কবিতাটোত তেওঁ কৈছে যে মই মোৰ ভাগ্যৰ গৰাকী আৰু মই মোৰ আত্মাৰ কেপ্টেইন। নেলছন মেণ্ডেলাক এই কথাটোৱে ইমানে প্ৰভাৱিত কৰিছিল যে কাৰাগাৰত থকাৰ সময়ত এই কবিতাফাঁকি মনত পেলাই তেওঁ মানসিকভাৱে শক্তিশালী হৈ আছিল। গ্ৰন্থ হৈছে এখন খোলা খিড়িকী, যাৰ জৰিয়তে সীমাহীন জ্ঞান সঞ্চয় কৰাটো সম্ভৱ। ইয়ে চিন্তাৰ পৰিসৰ ব্যাপ্ত কৰাৰ লগতে বৌদ্ধিক সত্তাৰ বিকাশ সাধন কৰে। অস্ত্ৰতকৈ গ্ৰন্থৰ শক্তি অপৰিসীম। অস্ত্ৰই নমাই আনে ধ্বংস আৰু মৃত্যু। ইয়াৰ বিপৰীতে গ্ৰন্থই মানৱীয় মূল্যবোধ আৰু জ্ঞানদীপ্ত সমাজ এখন গঢ়ি তুলিব পাৰে। এটা সময়ত নালন্দা বিশ্ববিদ্যালয়ৰ গ্ৰন্থগাৰ জ্বলাই দিয়া হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত নাজীবাহিনীয়ে বাৰ্লিনৰ ব্ৰেডফৰ্ডলৈ পথৰ ওপৰতজ্ব লাই দিছিল গ্ৰন্থ। বহু সময়ত বহু গ্ৰন্থই নিষিদ্ধ কৰা হৈছিল। সাহিত্যিকক কাৰাৰুদ্ধ কৰা হৈছে। জ্ঞান, ধাৰণা আৰু কল্পনাৰ বিৰাট সমাহাৰেৰে পুষ্ট গ্ৰন্থই সকলো প্ৰত্যাহ্বান নেওচি আজিও কোটি কোটি মানুহক দি আহিছে নতুন সভ্যতা নিৰ্মাণৰ প্ৰেৰণা। শব্দই ব্ৰহ্ম আৰু অন্তৰাত্মাক স্পৰ্শ কৰিব পাৰে। বিশ্বই প্ৰতিখন ধৰ্মগ্ৰন্থই দেখুৱাই দিয়ে কিদৰে শতকৰ পিচত শতক বছৰ ধৰি মানুহৰ আধ্যাত্মিক জীৱনধাৰাক উজ্জীৱিত কৰি আহিছে। গ্ৰন্থৰ ভৱিষ্যৎ অন্ধকাৰাচ্ছন্ন নেকি? অডিঅ’-ভিজুৱেল যুগতো ছপা আখৰৰ শক্তি হেৰাই যোৱা নাই। চাইবাৰ যুগতো গ্ৰন্থই নিজস্ব সৌৰভেৰে জিলিকি আছে। আমি গ্ৰন্থ অধ্যয়নক এক বিপ্লৱলৈ নিব লাগিব। শিশুকালৰ পৰা অভিভাৱক আৰু শিক্ষানুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰীসকলে গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগিব। গ্ৰন্থই অকলজ্ঞানে নহয়, সামাজিক সংযোগ স্থাপনতো বিশেষ ভূমিকা গ্ৰহণ কৰে। এটা প্ৰজন্মৰ জিজ্ঞাসা, মনৰ বিশালতা, সাহসী কল্পনা আৰু বিশ্বমুখী দৃষ্টিৰে নিজকে গঢ়ি তোলাৰ দিশত গ্ৰন্থৰ বিকল্প নাই। আমাৰ নিকটৱৰ্তী ৰাষ্ট্ৰ বাংলাদেশৰ এগৰাকী বুদ্ধিজীৱী, শিক্ষাবিদ আব্দুল্লা আবু চৈয়দে ঢাকা মহাবিদ্যালয়ৰ অধ্যাপকৰ পদ ত্যাগ কৰি ‘বিশ্ব সাহিত্য কেন্দ্ৰ’ গঢ়ি তোলে। কঠোৰ প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ পিচতো তেওঁ থমকি ৰোৱা নাছিল। আজি এই কেন্দ্ৰৰ অধীনত ৪২ লাখ লোকে দৈনন্দিন অধ্যয়ন কৰে। ইয়ে দেশখনত এক বৌদ্ধিক বিপ্লৱ গঢ়িব তুলিছে। আমি অসমতো এনে এক বিপ্লৱ গঢ়িব নোৱাৰোনে? আমি শিশু সাহিত্যক এনেভাৱে গঢ়ি তুলিব লাগিব যাতে তেওঁলোকে অধ্যয়নৰ প্ৰতি আগ্ৰহী হৈ উঠে। ৰবীন্দ্ৰনাথ ঠাকুৰ, প্ৰেমচান্দ, অৰবিন্দ ঠাকুৰ, সুকুমাৰ ৰায়, লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে বৰেণ্য সাহিত্যিকে দেখুৱাই যোৱা পথেৰে শিশু সাহিত্যৰ উত্তৰণত সৰ্বাধিক গুৰুত্ব দিয়াৰ সময় আহি পৰিছে। সাংস্কৃতিক আৰু সামাজিক জীৱন পৰিমিতভাৱে আগুৱাই নিব লাগিব, মানৱ সভ্যতাই বৌদ্ধিক চেতনাৰে শক্তিশালী কৰিব লাগিব। কোনো প্ৰযুক্তিবিদ্যাই গ্ৰন্থ অধ্যয়নৰ পৰা মানুহক বিচ্ছিন্ন কৰিব নোৱাৰে। আমি ডিজিটেল মাধ্যমৰ লগতে গ্ৰন্থ মেলাসমূহে এইক্ষেত্ৰত এক জাগৰণ আনিবলৈ সক্ষম হৈছে।

## Beauty of the Week



Hiramoni dutta baruah

## Photography of the Week



Debasish Goswami

## Art of the Week



Gyandeep Sharma

Beauty of the Week Art of the Week আৰু · Photography of the Week লৈ আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক

E-mail-

rongilibartamedhi@gmail.com
Whatsapp - 9854215286

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286

প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ

Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286